# উত্তৰণ


শিৱসাগৰ ছোৱালী কলেজ
শিক্ষা বিভাগ
২০২৪-২০২৫
বৰ্ষ



সম্পাদিকা
ৰশ্মি ফুকন



# উৎসৰ্গ




'শিৱসাগৰ ছোৱালী কলেজৰ শিক্ষা বিভাগলৈ গৌৰৱ কঢ়িয়াই অনা প্ৰমুখ ছাত্ৰী তথা শিক্ষাগুৰু সকল আৰু অসমৰ ঐতিহ্যিক, সামাজিক, সাংস্কৃতিক জীৱনৰ দিশত বিশেষ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হোৱা ব্যক্তিসকলৰ নামত

'উত্তৰণ'ৰ

২০২৪ - ২০২৫ বৰ্ষৰ তৃতীয় সংখ্যাটি উৎসৰ্গা কৰিলোঁ।

# কৃতজ্ঞতা



২০২৪-২০২৫ বৰ্ষত তৃতীয় সংখ্যা টি প্ৰকাশিত 'উত্তৰণ' নামৰ বিভাগীয় আলোচনীখনিৰ প্ৰস্তুতিৰ আৰম্ভণিৰে পৰা অন্ত ধৰা আমাৰ শিক্ষা বিভাগৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ লগতে প্ৰাক্তন অধ্যাপিকাগৰাকীলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো। নিজৰ মনোভাৱ আৰু সৃষ্টিশীল ধাৰণাৰে আমাৰ 'উত্তৰণ'ৰ বুকু ভৰাই দিয়া সকলো লেখিকালৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে আলোচনীখনৰ সৌন্দৰ্যতা বৃদ্ধিত সহায় কৰা সকলো সহপাঠীবৃন্দক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শিল্পী গগৈ
সহঃ সম্পাদিকা
শিৱসাগৰ ছোৱালী কলেজ
২০২৪-২০২৫ বৰ্ষ

# শুভেচ্ছাবাণী

জোনাক বলনিৰ তলৰ "শিৱসাগৰ ছোৱালী কলেজৰ শিক্ষাবিভাগৰ" মুখপত্ৰ "উত্তৰণ" নিয়মীয়াকৈ প্ৰকাশ পাই অহাৰ বাবে অত্যন্ত আনন্দিত হৈছো।

এখন কলেজৰ বিভিন্ন শৈক্ষিক বিভাগ সমূহে সময়ে সময়ে প্ৰকাশ কৰা 'মুখপত্ৰ' সমূহ হ'ল সেই কলেজ বা শৈক্ষিক বিভাগ সমূহৰ 'দাপোণ স্বৰূপ', এই দাপোণত প্ৰতিবিম্বিত হয় অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী সকলৰ আশা, আকাংক্ষা, তেওঁলোকৰ চিন্তাধাৰা, তাৰ মনোভাৱ ও তেওঁলোকে কঢ়িয়াই লৈ ফুৰা অদ্ভুত সপোন বাৰি। শিক্ষাৰ্থী সকলৰ লিখনি মুখপত্ৰ/আলোচনীত প্ৰকাশ পোৱাৰ ভৱিষ্যতে শিক্ষাৰ্থী সকলে নিজকে বা আনকো জনাত বা উন্মোচন কৰাত সহায়ক হয়। বহুসময়ত কলেজ বা বিভাগীয় মুখপত্ৰত প্ৰকাশ পোৱা ছাত্ৰ-ছাত্ৰী সকলৰ লিখনীয়েই সৰ্বপ্ৰথম লিখনি হিচাপে স্বীকৃত হৈ পিছলৈ এদিন প্ৰখ্যাত লিখক হিচাপে প্ৰতিষ্ঠা লাভ কৰাত সহায়ক হ'ব পাৰে।

উত্তৰণ মুখপত্ৰখন আমাৰ ছাত্ৰীসকলে হাতে লিখি পুতুৰি সজাইছৈলে আগবঢ়াই দিয়াৰ বাবে তেওঁলোক আমাৰ প্ৰশংসাৰ পাত্ৰী-(প্ৰাপ্তী) বিভাগীয় ছাত্ৰী সন্মানীয় শিক্ষক-শিক্ষয়িত্ৰী সকলৰ এই প্ৰচেষ্টাৰ শলাগ লৈছো —

ধন্যবাদেৰে —

শ্ৰী অনু শৰ্মা
প্ৰাক্তন শিক্ষয়িত্ৰী - (শিক্ষাবিভাগ)
শিৱসাগৰ ছোৱালী কলেজ,

# শুভেচ্ছাবাণী

শিক্ষাতত্ত্ব বিভাগৰ হাতেলিখা আলোচনী 'উত্তৰণ' প্ৰকাশৰ আয়োজন কৰা বুলি জানিব পাৰি বৰ আনন্দিত হৈছো। আলোচনী এখনত প্ৰকাশিত বিভিন্ন লেখাৰ মাজেদি লেখকৰ মনৰ কথা, তথা সৃষ্টিশীলতা প্ৰকাশ পায়। আৰু যেতিয়া সেই আলোচনী হাতেলিখা হয়, তেতিয়া ইয়াৰ লগত জড়িত সকলোৰে কলাসুলভ মনোভাৱো উমান পোৱা যায়।

'উত্তৰণ'ৰ উত্তৰণ কামনা কৰিছো আৰু এই আলোচনীৰ লগত জড়িত ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰী সকলোকে শুভকামনা যাচিছোঁ।

প্ৰতিমা দাস
(ড° প্ৰতিমা দাস)
অধ্যক্ষা
শিৱসাগৰ ছোৱালী কলেজ

# শুভেচ্ছা বাণী

নাৰী শিক্ষাৰ অগ্ৰণী প্ৰতিষ্ঠান শিৱসাগৰ ছোৱালী কলেজৰ শিক্ষাতত্ত্ব বিভাগৰ ছাত্ৰী সকলে হাতে লিখা আলোচনী "উত্তৰণ" এইবাৰো প্ৰকাশ হ'ব বুলি জানি নথৈ আনন্দিত হৈছো। ছাত্ৰী সকলৰ উদ্যোগত প্ৰকাশ হ'ব লগা এনে ধৰণৰ আলোচনীয়ে তেওঁলোকৰ সুপ্ত-সৃষ্টিশীল প্ৰতিভা বিকশিত হোৱাত সহায় কৰে।

উত্তৰণৰ সফলতা কামনা কৰি ইয়াৰ লগত জড়িত সমূহ শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰী সকললৈ শুভকামনা জ্ঞাপন কৰিলো।

উৎপলা গোহাঁই চমুৱা,
উপাধ্যক্ষা
শিৱসাগৰ ছোৱালী কলেজ,
শিৱসাগৰ

# শুভেচ্ছা

শিৱসাগৰ ছোৱালী কলেজৰ শিক্ষা বিভাগৰ ছাত্ৰীসকলৰ দ্বাৰা ২০২৪-২৫ বৰ্ষত প্ৰকাশ পাবলগীয়া হাতেলিখা আলোচনী 'উত্তৰণ'ৰ তৃতীয় সংখ্যাটিৰ বাবে বিভাগীয় মুৰব্বী হিচাপে অতিশয় আনন্দিত হোৱাৰ লগতে গৌৰৱবোধ কৰিছো আৰু তেওঁলোকৰ এই ঐকান্তিক প্ৰচেষ্টাৰ বাবে শলাগ লৈছো। আশা কৰিছোঁ ছাত্ৰীসকলৰ জ্ঞান আৰু ভাৱনাৰ উৎকৃষ্ট ফচলস্বৰূপ 'উত্তৰণ'ৰ পূৰ্বৰ সংখ্যা কেইটিতকৈয়ো অধিক আকৰ্ষণীয় হৈ উঠি সমাজৰ হিতৰ বাবে অৰিহণা যোগাবলৈ সক্ষম হ'ব।

শুভ কামনা জনালোঁ

ড° ৰঞ্জু গোহাঁই
সহযোগী অধ্যাপক তথা
বিভাগীয় মুৰব্বী

১৫.৫.২০২৪

## শুভেচ্ছাবাণী

মহাবিদ্যালয় পৰ্য্যায়ত প্ৰথম আলোচনী প্ৰকাশ কৰাৰ গুৰুত্ব সৰ্বাধিক, ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভা, বিশেষকৈ সাহিত্যৰ দিশত শিক্ষাৰ এই সময়চোৱা অতি গুৰুত্বপূৰ্ণ। সৃষ্টিশীলতা আৰু প্ৰতিভাৰ বিকাশৰ বাবে শিৱসাগৰ ছোৱালী কলেজৰ শিক্ষা বিভাগৰ ছাত্ৰীসকলৰ দ্বাৰা বিগত কেইবছৰ মানৰ পৰা প্ৰথম হাতেলিখা আলোচনী প্ৰকাশ কৰাটো সঁচাকৈয়ে উৎসাহজনক,

আমাৰ বিভাগৰ প্ৰাক্তন ছাত্ৰীসকলৰ পদাংক অনুসৰণ কৰি বৰ্তমানৰ ছাত্ৰীসকলে আন্তৰিকতাৰে আলোচনীখন সজাই তুলিছে।

সৰসৰ ছাত্ৰীসকলে যাতে ভবিষ্যতেওঁ এনেদৰে সাহিত্য চৰ্চা অব্যাহত ৰাখে তাৰেই কামনাৰে,


শ্ৰী গৌৰিকা ভট্টাচাৰ্য্য

সহযোগী অধ্যাপিকা,

শিক্ষা বিভাগ

# শুভেচ্ছাবাণী

শিৱসাগৰ ছোৱালী কলেজৰ শিক্ষাতত্ত্ব বিভাগৰ ছাত্ৰীসকলৰ উদ্যোগত প্ৰতিবছৰৰ দৰে বাৰ্ষিক আলোচনী 'উত্তৰণ' প্ৰকাশ কৰিবলৈ লোৱা বুলি শুনি বিভাগৰ এগৰাকী সদস্য হিচাপে অতিশয় আনন্দিত হৈছো। সাম্প্ৰতিক সময়ৰ অতিশয় সুলভ জনমাধ্যমৰ বিপৰীতে ছাত্ৰীসকলে এক প্ৰকাৰৰ ব্যতিক্ৰম ৰূপত সম্পূৰ্ণ হাতেলিখা আলোচনী খন যোৱা লেখকসকলে নিশ্চিতভাৱে, লিখোতাসকলৰ সৃষ্টিশীলতাৰ প্ৰচেষ্টাক ৰূপ দিয়াত হৈছে আৰু 'উত্তৰণৰ' উত্তৰোত্তৰ কামনা কৰিছো।

বৰ্ণালী লহকৰ
সহকাৰী অধ্যাপিকা
শিক্ষাতত্ত্ব বিভাগ
শিৱসাগৰ ছোৱালী
কলেজ,
শিৱসাগৰ।


# শুভেচ্ছা বাণী

১৯৬৪ চনত প্ৰতিষ্ঠিত হোৱা শিৱসাগৰ ছোৱালী কলেজৰ শিক্ষা বিভাগে এক সুদীৰ্ঘ কাল ধৰি আৰম্ভণিৰে পৰা প্ৰত্যেক বছৰে শিক্ষাৰ্থীসকলৰ দ্বাৰা প্ৰস্তুত কৰা হাতে লিখা আলোচনী "উত্তৰণ" প্ৰকাশিত হৈ আহিছে। বিগত বৰ্ষৰ দৰে এইবাৰো শিক্ষা বিভাগৰ ছাত্ৰীৰ দ্বাৰা প্ৰকাশ পাবলগীয়া "উত্তৰণ" আলোচনীৰ বাবে মই আনন্দিত হৈছোঁ আৰু এই প্ৰচেষ্টাৰ বাবে ছাত্ৰীসকলৰ লগতে শিক্ষা বিভাগৰ সকলো সদস্যক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

এক নাৰী শিক্ষাৰ প্ৰতিষ্ঠান হিচাপে মহাবিদ্যালয়ৰ শিক্ষা বিভাগে শিক্ষাৰ্থীসকলৰ উত্তৰণৰ কাৰণে ক্ৰমাগত ভাৱে কাম কৰি আহিছে আৰু শিক্ষাৰ মাধ্যমেৰে জ্ঞানৰ পোহৰ বিলাই শিক্ষাৰ্থীসকলৰ সৰ্বাংগীন বিকাশ সাধনৰ উপৰত গুৰুত্ব প্ৰদান কৰি আহিছে।

শিক্ষা বিভাগৰ এজন সদস্য হিচাপে শিক্ষা বিভাগৰ ছাত্ৰীসকল-ৰ দ্বাৰা হাতত এই প্ৰয়াসটিৰ বাবে শলাগ লৈছোঁ আৰু ইয়াৰ লগত জড়িত সদৌটিলৈ পুনৰবাৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

বাবুল হুছেইন
সহকাৰী অধ্যাপক
শিক্ষা বিভাগ
শিৱসাগৰ ছোৱালী কলেজ



# শুভেচ্ছাবাণী

শিৱসাগৰ গোৱালী কলেজৰ "শিক্ষাতত্ত্ব" বিভাগৰ ছাত্ৰীসকলৰদ্বাৰা হাতেলিখা আলোচনী "উত্তৰণ"ৰ তৃতীয়টো সংকলন উন্মোচন কৰিবলৈ লোৱা বুলি জানিবলৈ পাই বৰ আনন্দিত হৈছো, এই আলোচনীখনৰদ্বাৰা আমাৰ ছাত্ৰীসকলৰ ভাষা আৰু সাহিত্যৰ উত্তৰণ এক লেখতলবলগীয়া দিশ, লগতে এই আলোচনীখনৰ মাধ্যমেৰে আমাৰ ছাত্ৰীসকলৰ যৌক্তিক সমতা আৰু নিজৰ প্ৰতিভাযুক্ত বিকশিত কৰি ভৱিষ্যতে একোগৰাকী সুলেখিকা হিচাপে নিজকে আত্মপ্ৰকাশৰ সুযোগ লাভ কৰিব,

এই আলোচনীখন একোখিনি ৰুচিশীল লেখনিৰ সমাহাৰ হওঁক এই কামনাৰে মই এগৰাকী প্ৰাক্তন ছাত্ৰী হিচাপে উদ্যোক্তাসকললৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ — ।

জুৰি গোহাঁই
সহকাৰী অধ্যাপিকা (শিক্ষাতত্ত্ব বিভাগ)
শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়,

# শুভেচ্ছাবাণী


ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাৰ সগৌৰৱে অৱস্থিত নাৰী শিক্ষাৰ বাটকটীয়া স্বৰূপ শিৱসাগৰ ছোৱালী কলেজে নাৰীসকলক উচ্চ শিক্ষাৰে শিক্ষিত কৰি যুগৰ সমানে আগবঢ়াই নিয়াত যথেষ্ট সহায় কৰিছে, এই কলেজৰ শিক্ষাতত্ত্ব বিভাগে 'এখন বিভাগীয় আলোচনী 'উত্তৰণ' প্ৰকাশৰ ব্যৱস্থা কৰিবলৈ লোৱা বুলি জানিব পাৰি অতিশয় সুখী হৈছোঁ।

সাহিত্য হ'ল জাতিৰ দাপোণ, য'ত প্ৰতিবিম্বিত হয় জাতিটোৰ স্পন্দন। শিক্ষানুষ্ঠানসমূহৰ দ্বাৰা প্ৰকাশিত মুখপত্ৰ, আলোচনী আদিয়ে শিক্ষানুষ্ঠানসমূহৰ আত্মিক ৰূপটো প্ৰকাশ কৰাৰ লগতে নতুন প্ৰজন্মক সাহিত্য সৃষ্টিৰ বাবে উৎসাহিত কৰে।

আশা কৰিলোঁ আলোচনীখন যাতে অধিক মূল্যবান আৰু তথ্যভিত্তিক লিখনিৰে সৈতে সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ পায়। শেষত মোৰ ফালৰ পৰা 'উত্তৰণ' প্ৰকাশৰ লগত জড়িত সকলোটিলৈ মোৰ শুভেচ্ছা যাচিলোঁ।

গায়ত্ৰী বৰগোঁহাঞি
প্ৰাক্তন ছাত্ৰী

# সম্পাদকীয়- একলম...



ফ্ৰান্সৰ প্ৰাক্তন সম্ৰাট নেপোলিয়ন বোনা-পাৰ্টে কৈছিল- "মোক এগৰাকী আদৰ্শ সুশিক্ষিতা নাৰী দিয়া, মই এখন সুন্দৰ দেশ দিম।"

শিক্ষা এনে এক প্ৰক্ৰিয়া যাৰ দ্বাৰা নতুন সৃষ্টিৰ সম্ভাৱনাময় দুৱাৰ মুকলি হয়। শিক্ষাই এজন ব্যক্তিৰ মনৰ তমসা দূৰ কৰি যোগাত্মক চিন্তাধাৰাৰে জ্ঞানৰ পোহৰ বিলায়, সমাজ যিহেতু ব্যক্তিসমষ্টিৰ দ্বাৰা গঠিত- গতিকে, সমাজত বসবাস কৰা প্ৰত্যেকজন ব্যক্তিৰ লগতে যদি নাৰীয়েও জ্ঞানৰ পোহৰ-ৰে আলোকিত হৈ থাকে তেতিয়া হে সমাজৰ প্ৰতিটো স্তৰ-ৰ দিশৰ বিকাশ হ'ব- লগতে নতুন সৃষ্টিৰ সম্ভাৱনাময় দুৱাৰ মুকলি হ'ব।

শিক্ষা হৈছে মানৱজীৱনৰ আধাৰ-স্বৰূপ। এই শিক্ষা উভয়কে সমানভাৱে

প্ৰদান কৰিলেহে এখন সমাজ সুস্থ, সবল আৰু প্ৰকৃতাৰ্থত পৰিপূৰ্ণ হৈ উঠিব,

১৯৮৪ চনত প্ৰতিষ্ঠা লাভ কৰা ছশ বছৰীয়া আহোম ৰাজত্বৰ গৌৰৱোজ্জ্বল সোণালী ঐতিহ্য বহন কৰা ঐতিহ্যমণ্ডিত শিৱসাগৰৰ মাজমজিয়াৰ বৰপুখুৰীৰ পাৰত সগৌৰৱে তিষ্ঠি থকা শিৱসাগৰ ছোৱালী কলেজৰ অন্তৰ্গত 'শিক্ষাবিভাগ'ৰে এক সুকীয়া স্থান দখল কৰি আছে। এই শিক্ষাতত্ত্ব বিভাগৰে হাতেলিখা আলোচনী 'উত্তৰণ' প্ৰকাশৰ বাবে এই দায়িত্ব (সম্পাদনা) পাই নিজে আনন্দিত হৈছো লগতে গৌৰৱান্বিত অনুভৱ কৰিছো। শিক্ষাবিভাগৰ শিক্ষাৰ্থীসকলৰ সুপ্ত প্ৰতিভা সমূহৰ বিকাশত 'উত্তৰণে' সহায় কৰি আহিছে। কবিতা, প্ৰবন্ধ, গল্প বিভিন্ন সৃষ্টিশীল লেখনিৰ প্ৰকাশৰ জৰিয়তে শিক্ষাৰ্থীসকলক এক উজ্জ্বল দিশৰ ফালে ধাবিত কৰি তুলিছে।

সম্পাদিকাৰ দৰে এই দায়িত্ব পাই যদিওবা আনন্দিত হৈছিলোঁ তথাপিও কিন্তু কাৰ্যকাত নহয় কাৰ্যকাত এক সংশয়, সংশয়

ভয়ে আগুৰি আছিল। চিন্তা আৰু ধাৰণা এটাই মাথোঁ পাঠকৰ বাবে এই 'উত্তৰণ' কিমান আকৰ্ষণীয় কৰি তুলিব পাৰিম।

এই নতুন অভিজ্ঞতাৰ দিশত সহায় কৰা লগতে এই কামসমূহ চলাই নিয়াত শিক্ষাবিভাগৰ শিক্ষাগুৰুসকলে বহুতো দিহা-পৰামৰ্শৰে সহায় কৰিছিল। এই আগাহতে তেওঁলোকলৈ যাচিছোঁ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা। লগতে উত্তৰণৰ আঁৰত থকা সমূহ সহযোগীবৃন্দলৈ আৰু সহপাঠী আৰু অনুজ সকললৈ মোৰ মৰমভৰা শুভেচ্ছা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

আলোচনীখনৰ গুৰুদায়িত্ব গ্ৰহণ কৰাৰ সময়ত অনিচ্ছাকৃতভাৱে কিছু ভুল-ত্ৰুটি হৈ যাব পাৰে, তাৰ বাবে আপোনাসকলৰ ওচৰত আমি সম্পাদকদ্বয় ক্ষমা প্ৰাৰ্থী।

'উত্তৰণে' শিক্ষাৰ্থীসকলৰ সাহিত্যিক-কৰ্মৰাজিৰ লগতে সৃষ্টিশীল মনোভাৱৰ বিকাশ কৰি যাওঁক শেষত এইয়াই কামনা।

আন্তৰিকতাৰে.....

ৰশ্মি ফুকন
সম্পাদিকা

# উত্তৰণৰ আঁৰত

**উপদেষ্টা :** ৰন্টু গোস্বামী,
গৌৰীকা দেৱী,
বৰ্ণালী লহকৰ,
বাবুল হুছেইন

**সম্পাদনা:** ৰশ্মি ফুকন।

**সহ-সম্পাদনা:** শিল্পী গগৈ।

**বেটুপাত অলংকৰণ:** কাব্যশ্ৰী গগৈ,
অনুস্কা বৰঠাকুৰ।

**অনুলিখন:** আছমিৰণ হাছান,
কাব্যশ্ৰী গগৈ,
অনুস্কা বৰঠাকুৰ,
কৃষ্ণা ৰাজবীকা, পূৰ্ণিমা ফুকন,
সুকন্যা বৰুৱা, মুনমুন দেৱ,
শিল্পী গগৈ, ৰশ্মি
ফুকন।

প্ৰকাশন : ১৮-০৯-২০২৪

# অনুক্ৰমণিকা


**প্ৰবন্ধ :-**

- ➤ মানুহে মানুহৰ বাবে।
- ➤ মানুহ বিচাৰি যাওঁ।
- ➤ সমাজৰ প্ৰেমপটত মানসিক স্বাস্থ্যৰ চিন্তাধাৰা।
- ➤ শিক্ষাৰ জৰিয়তে মহিলাৰ সবলীকৰণ, নতুন সৃষ্টিৰ সম্ভাৱনাময় দুৱাৰ মুকলি।
- ➤ মানসিকসুস্থতা আৰু সংবেদনশীলতা।
- ➤ সফল মাতৃত্ব।
- ➤ জীৱন।
- ➤ কল্পনা, বাস্তৱ আৰু তাৰ দুমুজা




- বিশ্বৰ কনিষ্ঠতম নোবেল বঁটা বিজয়ী,
- মোৰ অনুপ্ৰেৰণা যোগোৱা এখন গ্ৰন্থ,
- My favoureite book : I am Malala : The girel who stood up fore education and was shat by Taliban.
- Women safety issues and assured safety.

## কবিতাঃ –

- অসম আজি কোন দিশে।
- অসময়।
- দেউতা।
- মোৰ জীৱন।

- নদীৰ কথা।
- অনুভৱৰ দলিচা।
- বৰষুণলৈ অপেক্ষা।
- বৰষা।
- এপাহি ফুল।
- মোৰ প্ৰিয় বান্ধৱী।
- অপেক্ষা।
- মোৰ জন্মদাত্ৰী মাতৃ
- পোহৰৰ বিচাৰি।
- শৰৎ।

**অনুগল্প :-**

- মা।
- আত্মৰক্ষা।
- Happiness.



# প্রবন্ধ মালা

# মানুহে মানুহৰ বাবে

শ্ৰীমতী কাব্যশ্ৰী গগৈ
স্নাতক পঞ্চম ষাণ্মাসিক।

জীৱন এটাক ফুলকুমলীয়া অৱস্থাৰ পৰা এটা পূৰ্ণ অৱস্থাত সাজি ধৰাৰ যি সুদীৰ্ঘ পৰিক্ৰমা, ইয়াত পাঁচাকৈয়ে লুকাই থাকে অনেক ব্যক্তিৰ অবিৰত প্ৰচেষ্টা, অনেক সাধাৰণ-অসাধাৰণ ত্যাগৰ মহিমা। কাৰোকে বাদ দি আমি কল্পনাই কৰিব নোৱাৰো এটা নিশ্চিত বৰ্তমান। জীৱন ইমান দ্ৰুত পৰিৱৰ্তনশীল যে যিকোনো কথা বা কামতেই স্থায়িত্বৰ মোহৰ পিন্ধাব নোৱাৰি। জীৱনত কেতিয়া কেনে পৰিৱৰ্তন আহে, কোনেও তাক পূৰ্বে টাৰ্ব কৰিব নোৱাৰে।

স্বাধীনতা হ'ল এক মৌলিক অধিকাৰ আৰু মানুহৰ চৰম প্ৰয়োজনীয় হেঁপাহ। জীয়াই থকাৰ অধিকাৰৰ দৰেই স্বাধীনতা পালে মানুহে কৰিব নোৱাৰা কাম নাই। বিবেকৰ কাৰণে আমি বহুতো অসৎ কাম কৰাৰ স্বাধীনতা হেৰুৱাওঁ। কৰিবলৈ মন যোৱা বেয়া কাম, যেনে আনক কৰা অন্যায়, অসৎ ব্যৱহাৰ, নিলাজ নিন্দা, পিতৃ-মাতৃ আদি গুৰুজনক অৱমাননাদি কৰাৰ পৰা বিবেকৰ শাসনে আমাক ৰক্ষা কৰে। যিসকলে এই শাসন নামানি চিন্তা আৰু কামৰ স্বাধীনতা উপভোগ কৰাৰ গৌৰৱত মত্তলীয়া হৈ থাকে, তেওঁলোক প্ৰকৃততে চয়তানৰ শাসনতহে থাকে। আমাৰ বাবে স্বাধীনতাৰ মূল্য বহুত বেছি। দেশৰ মানুহে গুৰুত্বসহকাৰে মন কৰা উচিত, আমি স্বাধীন দেশৰ মানুহখিনি কিমান স্বাধীন!

উদাহৰণ স্বৰূপে আমি কেইদিনমান আগতে কলকাতাৰ এগৰাকী তৰুণী চিকিৎসকৰ সৈতে হোৱা নিশংস কাণ্ডটোকে ল'ব পাৰো।

চকুৰ পচাৰতে ঘটনাটো ঘটি গ'ল আমি কোনেও তল্কিবকে নোৱাৰিলোঁ। মানুহবিলাকো যেন মুহূৰ্তৰ বাবে থৰ হৈ গ'ল। কাৰো যেন লৰচৰ কৰিবলৈ শক্তি নোহোৱা হ'ল। মাইকী মানুহ বিলাকৰ চকুবিলাক উজ্জ্বল হৈ পৰিল। সৰু ল'ৰা-ছোৱালীবিলাকে মুখত হাত দিলে। এক মুহূৰ্তৰ বাবে পৃথিৱীৰ সকলো শব্দ নাইকীয়া হৈ গ'ল। সেই দৃশ্যটো মোকো যেন এটা গুৰু পদাৰ্থৰ দৰে কৰি পেলালে। মই নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাই মাথো কৰুণভাৱে সৃষ্টি হৈছে মনত এটা প্ৰশ্নবোধক '?'

# মানুহ বিচাৰি যাওঁ

মানুহ বিচাৰি যাওঁ এনে এজন মানুহ যিজনে খাদ্য, বস্ত্ৰ, বাসস্থান, চিকিৎসা, যাতায়াত / যোগাযোগ, শিক্ষাৰ বাবে কৰিব লগা খৰচৰ যোগাৰ-টোৰ বাহিৰে বাকী ব্যক্তিগত আৰু একো নিবিচাৰে। এনেকুৱা হ'ব নালাগে যেখেতে নিজৰ পেটটো উদৰপুৰাই খাই অট্টালিকা সজোৱা সপোন দেখিছে, শীত-তাপ নিয়ন্ত্ৰিত কোঠা লাগে আৰু কাষৰ জন অনাথৰ, ৰ'দ- বৰষুণত ৰাখিব পৰা বাসস্থান নাই কিন্তু তেওঁলো চকু নাই, হিয়াই নাকান্দে। এনেকুৱা হ'ব নালাগে যে তেওঁ এতিয়াৰ ধনতকৈ আৰু বেছি বিলাসী বাহন কিনিব বিচাৰিছে কিন্তু দুখীয়া ছাত্ৰ এজনক এটাকলম এখন কিনি দিয়া মানসিকতা নাই। যিজনে নিজৰ লগতে আশে-পাশে থকা সকলো জীৱৰ চিন্তা কৰে, এনে এজন মানুহ লাগে যিজনে ভৱিষ্যত পৃথিৱীখন সেউজীয়া হৈ থকা আৰু জীৱ জীয়াই থাকিব পৰাকৈ অনুকূল পৰিৱেশ বৰ্তী থকা বিচাৰে। কিন্তু ক'ত পাওঁ নাজানো। গোটেই পৃথিৱীখন মানুহেৰে ভৰি আছে। কিন্তু সেই প্ৰকৃত মানুহজন গাওঁ বা চহৰ ক'তো বিচাৰি পোৱা নাই। আগৰ দিনত মানুহৰ ঘৰবোৰ কেঁচা আছিল আৰু মনবোৰো কেঁচা আছিল। মানে সহজ-সৰল। বৰ্তমান মানুহৰ ঘৰো কংক্ৰিটৰ আৰু লগতে মনবোৰো। বন্ধুবোৰৰ বাবে দামী গাড়ীৰ খিৰিকি খোল নাখায়। হাজাৰ টকাৰ মদ-মাংস খাই উৰাই দিব। কিন্তু বিকলাংগ মানুহ এজনে ভিক্ষাৰ হাত আগবঢ়ালে ১০টকা সাৰি নপৰে। সেই মানুহৰ মনবোৰ কেতিয়াও গলি নাযায়। সেইবাবে কেতিয়াও প্ৰকৃত অৰ্থাৎ সঁচা অৰ্থত মানুহ বিচাৰি পাবলৈ টান। সকলো নিজৰ কামতেই ব্যস্ত। কি ৰজা, কি প্ৰজা সকলো নিজৰ স্বাৰ্থত আত্মবিভোৰ। যদি আপোনাৰ ওচৰত সেই কেঁচা মানুহজন আছে তেন্তে ভালে ৰাখক, সহযোগ কৰক, সাহস হওঁক।

শ্ৰীমতী ৰিম্পী গগৈ।
স্নাতক পাঠ্যক্ৰম অসমীয়া বিভাগ।

# সমাজৰ প্ৰেক্ষাপটত — মানসিক স্বাস্থ্যৰ চিন্তাধাৰা

প্ৰতিমুহূৰ্তত নিজকে মানুহে বিভিন্ন অৰ্থহীন অৰ্থ বিচাৰি উলিয়াই নিজক সন্তুষ্ট কৰে কিন্তু সেইবোৰ যে প্ৰকৃত হোৱা মানসিক অৱস্থাৰ প্ৰতিফলন সেইবোৰ মানুহে বুজি পাবলৈ চেষ্টা নকৰে। অৰ্থাৎ দৈনন্দিন জীৱনত কিছু সৰু সৰু কথাৰ পৰা মানুহৰ মানসিক স্বাস্থ্যৰ যি হোৱা লক্ষণ সেইবোৰৰ দ্বাৰা থাকে তাক মানুহে আওকাণ কৰে, কিছুমানে অৰ্থহীন কথাৰ পৰা নিজকে সন্তুষ্টি দিবলৈ চেষ্টা কৰে, মানসিক স্বাস্থ্যনো কি তাৰ উপৰৰ কাৰণ কি তাক জানিবলৈ কোনেও চেষ্টা নকৰে, উদ্বেগ, বিষণ্ণতা আদিৰ কাৰণ কি জনাত কোনেও আগ্ৰহ প্ৰকাশ নকৰে।

মানসিক স্বাস্থ্য শব্দটো বহুতৰ বাবে অপৰিচিত, আৰু কিছুমানৰ বাবে এক পৰিকল্পিত ধাৰণা, শব্দটো অৰ্থ গভীৰ আৰু ব্যাপক লৈ মানুহৰ ধাৰণাও অসীম।

যেতিয়া শৰীৰত আঘাত পোৱা যায় তেতিয়া সেয়া সকলোৱে চকুৰে দেখে আৰু বহুতে নিজৰ উপদেশ প্ৰদান কৰে। কিন্তু এই যি মানসিক আঘাত ইয়াক চিনাক্ত কৰিবলৈ যথেষ্ট কঠিন। সমাজ যিহেতু প্ৰযুক্তিবিদ্যাৰ নিৰ্ভৰশীল অৰ্থাৎ প্ৰযুক্তিবিদ্যাৰ হাতৰ পুতলা, সেয়ে

এনে ধৰণৰ যি ধাৰণা এইবোৰে বহুত ক্ষেত্ৰত স্থান লাভত সহায়তা পাইছিল বুলি কৈছে। মানসিক স্বাস্থ্য বা ৰোগ যি অৱধাৰণাৰ সৃষ্টি হৈছে তাৰ প্ৰথম উপাদানবোৰৰ বিষয়ে বৈজ্ঞানিক আলোচনা সমূহ। আৰু এনে আলোচনাবোৰৰ প্ৰসাৰৰ ভিত্তিতে সমাজত বিভিন্ন প্ৰচাৰ মাধ্যমসমূহৰ ভিত্তিতে ইয়াৰ প্ৰচাৰ অধিক হবলৈ ধৰিলে।

মানসিক স্বাস্থ্য বুলি কলে ব্যক্তি এজনৰ শাৰীৰিক, মনোবৈজ্ঞানিক, লগতে সামাজিক ভাৱে কৰা তেওঁৰ আচৰণৰ লগতে সংগতি ৰাখি তেওঁৰ যি চিন্তা ধাৰা, তেওঁ বিষয় এটা লৈ বিচাৰ বিবেচনা আদি বোৰে তেওঁৰ মানসিক স্বাস্থ্যটো নিৰ্ধাৰণৰ তাত কাৰ্য্য কৰে।

পৰম্পৰাগত সমাজত মানুহে এই বিষয়ক লৈ ভয়ত নাছিল। সেই সময়ৰ সমাজ বুলি কলে অন্ধ বিশ্বাস, কু-সংস্কাৰ, বিভিন্ন ধৰণৰ প্ৰথা আদিৰে জৰ্জৰিত এখন অৱস্থাৰ সমাজ। গতিকে তেনেবোৰ এখন সমাজত এইবোৰ বস্তু মানুহে জানিবলৈ চেষ্টাও কৰা নাছিল আৰু বুজিবলৈ বিচৰাও নাছিল। কিন্তু এনে নহয় যে মানসিক স্বাস্থ্য বা ইয়াৰ লগত

জড়িত সমস্যা সেইটো সমস্যাত নাছিল, আছিল নিশ্চয় কিন্তু মানুহে সেইবোৰক আওকাণ কৰিছিল। ইয়াৰ কাৰণ বহুতো।

কোনোবা এজন সদায় হাঁহি থকা ব্যক্তি, সদায় হৈচৈৰায় ভাল পোৱা ব্যক্তি এজন, সদায় কাম কৰি ভাল পোৱা ব্যক্তি এজন, আনন্দত থকা ব্যক্তি এজন যেতিয়া হঠাৎ হাঁহিবলৈ পাহৰি যায় তেতিয়া কোনেও তেওঁৰ কি হৈছে, তেওঁৰ পৰিস্থিতি কি হৈছে আৰু কোনেও বুজিবলৈ চেষ্টা নকৰে। আৰু কিছুমান অবিবেচনামূলক মন্তব্য আগবঢ়ায় — 'এইটোক/এইজনীক প্ৰেমতেই এৰি দি যাব পাৰে!' 'এইটো পাগল হ'ল অ' বলিয়া হ'ল!'। আৰু যেতিয়া সেই মানুহজনে নিজকে এই পৃথিৱীৰ পৰা আঁতৰাই পেলোৱাৰ সিদ্ধান্ত লৈ পেলায় তেতিয়া সেই একেই মানুহবোৰেই মন্তব্য দিয়ে যে — 'মানুহটো কিন্তু বৰ ভাল আছিল।' এনে ধৰণৰ বহুতো কথা আমাৰ সমাজত বহু আগৰ পৰাই চলি আহিছে। যাৰ বাবে দায়ী কেৱল এই মানুহবোৰেই।

মানুহ এজনৰ বুকুত থাকি থকা সেই দুখবোৰক, সদায় নিজৰ লগতেই কৰি থকা যুদ্ধবোৰ, সদায় নিজৰ মনটোৰ লগত কৰি

ধৰণ বিতৰ্কবোৰ আৰু সময় নিজৰ মনক বুজো-
-ৱা যে মই পাৰিম, মই যুঁজিম এই ভাৱনা
-খিনি যেতিয়া কোনোবাই কাকো প্ৰকাশ
কৰিব নোৱাৰে, কাকো খুলি কব নোৱাৰে
তেতিয়া সেই মানুহজনৰ মানসিক অৱস্থাটো
কেনেকুৱা হ'ব পাৰে সেইয়া কোনেও
পৰিকল্পনাও কৰিব নোৱাৰে। পৰম্পৰাগত
সমাজত এনেকুৱা কথা কোনোবাই যদি
কাকোবাৰ আগত প্ৰকাশো কৰিছিল তেতিয়া
সেই বিষয়ে কোনোবাই গুৰুত্বে দূৰৰে কথা.
তেওঁৰ পৰা আঁতৰি থাকিবলৈহে চাই।

কিন্তু আজিৰ সমাজত ইয়াৰ সংখ্যা কম,
বহুত কম বুলি ভাবিলেও আজিও আছে নিজৰ
সেই অন্ধ বেষ্টনীৰ যি কাৰণৰ মাজে
বিশ্বাস কৰি জীৱনত সফল হোৱাৰ চিন্তা
কৰা মানুহ। এনেকুৱা চিন্তা ধাৰা আজিও
সমাজৰ আছে কাৰণেই বিভিন্ন ঘটনা আমাৰ
মাজত ঘটি আছে।

মোৰ এই লিখনিখিনিৰ পৰা পাঠকৰ যি
দৰ্শন হোৱা এজন মানুহৰ অন্ধ ছবি পৰা
চেৰ বিচাৰে নে বৈজ্ঞানিক ভাৱে নিজৰ-
লগতে আনৰ মানসিক অৱস্থাটো সৰল

কাৰোৰ চিন্তা কৰে নেকিনো তেওঁৰ ওপৰত নিৰ্ভৰশীল।

বৰ্তমান প্ৰযুক্তিবিদ্যা আৰু উন্নত শিক্ষাৰ অগ্ৰগতি ফলত এনে বিভিন্ন সমস্যাৰ বাবে ঠায়ে ঠায়ে শিবিৰ আছে য'ত ব্যক্তিয়ে ইয়া নিজৰ সমস্যাৰ বিষয়ে আলোচনা কৰি-ও সমাধান পাব পাৰে। এনেধৰণৰ বিভিন্ন মানসিক ৰোগৰ বাবে উপযুক্ত চিকিৎসাৰ ব্যৱস্থা আছে লগতে মনোবৈজ্ঞানিক, নিৰ্দেশক আদিৰ সহায় লৈ ব্যক্তিয়ে নিজৰ সমস্যা সমাধান কৰিব পাৰে।

~ শিল্পী সাহা
প্ৰথম ষাণ্মাসিক

# "শিক্ষাৰ জৰিয়তে মহিলাৰ সৱলীকৰণ"

## নতুন সৃষ্টিৰ সম্ভাৱনাময় দুৱাৰ মুকলি

ফ্ৰান্সৰ প্ৰাক্তন সম্ৰাট নেপোলিয়ান বোনাপাৰ্টে কৈছিল— "মোক এগৰাকী আদৰ্শ সু-শিক্ষিতা নাৰী দিয়া, মই এখন সুন্দৰ দেশ দিম।"

শিক্ষা এনে এক প্ৰক্ৰিয়া যাৰ দ্বাৰা নতুন সৃষ্টিৰ সম্ভাৱনাময় দুৱাৰ মুকলি হয়। শিক্ষাই এজন ব্যক্তিৰ মনৰ তমসা দূৰ কৰি যোগাত্মক চিন্তাধাৰাৰে জ্ঞানৰ পোহৰ বিলায়। সমাজ যিহেতু ব্যক্তিসমষ্টিৰ দ্বাৰা গঠিত গতিকে, সমাজত বসবাস কৰা প্ৰত্যেকজন ব্যক্তি যদি জ্ঞানৰ পোহৰেৰে আলোকিত হৈ থাকে তেতিয়া হে সমাজৰ প্ৰতিটো সৰু-বৰ দিশৰ বিকাশ হ'ব লগতে নতুন সৃষ্টিৰ সম্ভাৱনাময় দুৱাৰ মুকলি হ'ব।

সি যি কি নহওঁক, ওপৰত উল্লেখিত ফ্ৰান্সৰ প্ৰাক্তন সম্ৰাট নেপোলিয়নে বোনাপাৰ্টৰ বাক্যশাৰীৰ ভিত্তিত এটা কথা ক'ব পাৰোঁ যে, এগৰাকী আদৰ্শ আৰু সু শিক্ষিতা নাৰী এখন সমাজৰ বাবে আশীৰ্বাদ-স্বৰূপ। নাৰী শিক্ষাৰ জৰিয়তে কেৱল এটা পৰিয়ালেই নহয়, এখন সমাজ, এখন দেশৰ বিকাশ হয়। যদিও বা বহু বিদগ্ধ পণ্ডিত নাইবা বহু মহৎ লোকে নাৰী শিক্ষাৰ অগ্ৰগতিৰ আৰু সৱলীকৰণৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছিল তথাপিও আজিৰ এই আধুনিক যুগত নাইবা একবিংশ শতিকাৰ কালতো এগৰাকী নাৰী, শিক্ষাৰ ক্ষেত্ৰত বহু পৰিমাণে পিছ পৰি থকা দেখা যায়। ইয়াৰ গুৰিতে কেৱল যে এটাই কাৰণ সেইয়া আমি স্পষ্টকৈ ক'ব নোৱাৰো। পিতৃ-মাতৃৰ নিৰক্ষৰতা, অৰ্থনৈতিক দুৰাৱস্থা, সামাজিক পৰম্পৰাৰ লগতে অন্ধবিশ্বাস আৰু অন্যান্য কাৰণ বা সমস্যাই স্ত্ৰী বা নাৰী শিক্ষাৰ অগ্ৰগতিৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰি আহিছে। যদিও বা শিক্ষা সাৰ্বজনীন কৰণৰ ওপৰত সময়ে সময়ে শ্লোগান, আঁচনি প্ৰবৰ্তন হৈ আহিছে তথাপিও সেইসমূহ কিন্তু আমাৰ বাস্তৱ ক্ষেত্ৰত বহু পৰিমাণে কাৰ্যকৰী হোৱা নাই। ইয়াৰ গুৰিতে যে কেৱল ওপৰত আলোচনা কৰা

সমস্যাই নহয়, পুৰুষতান্ত্ৰিক সমাজব্যৱস্থা, নাৰীসকল পুৰুষৰ ওপৰত অধিক নিৰ্ভৰশীলতা আদিয়েও গা কৰি উঠিছে।

নাৰী শিক্ষাৰ ক্ষেত্ৰত পাশ্চিমীয়া দেশসমূহৰ অৱদান গ্ৰহণযোগ্য কিন্তু তাৰ তুলনাত আমাৰ দেশ ভাৰতবৰ্ষৰ অৱদান নিচেই সীমিত। এসময়ত বাল্যবিবাহ, কন্যা ভ্ৰূণ হত্যা আদিৰ কাৰ্যৰ দৰে অমানসিক কাৰ্যই গোটেই ভাৰতবৰ্ষত গা কৰি উঠিছিল, যদিওবা বৰ্তমানৰ সময়ছোৱাত এইবোৰৰ প্ৰভাৱ কমকৈ দেখা যায় তথাপিও কিন্তু এইবোৰৰ প্ৰভাৱ নথকা নহয়। ভাৰতবৰ্ষৰ দৰে এখন উন্নয়নশীল ৰাষ্ট্ৰত নাৰী শিক্ষাৰ বিকাশৰ বাবে কৰণীয় বহুতো দিশ আছে। বাল্য ~~বিকাশৰ~~ বিবাহ, কন্যা ভ্ৰূণ হত্যা, সামাজিক পৰম্পৰা আৰু অন্ধবিশ্বাসৰ ৰোধকৰণৰ লগতে শিক্ষাৰ সাৰ্বজনীনকৰণ, শিক্ষাৰ ক্ষেত্ৰত নাৰীক সম-সুবিধা আৰু অধিকাৰ প্ৰদানেৰে নাৰী শিক্ষাৰ অগ্ৰগতিত অৰিহণা যোগাব।

উল্লেখযোগ্য যে নাৰী শিক্ষাৰ ক্ষেত্ৰত প্ৰাচীন কালৰে পৰা বৰ্তমানলৈকে আমি বিভিন্ন পৰ্য্যায় পাই আহিছোঁ। বৈদিক যুগৰ কালছোৱা আছিল নাৰী শিক্ষাৰ বাটকটীয়া স্বৰূপ, এই কালছোৱাত নাৰীয়ে পুৰুষৰ সমানেই শিক্ষা গ্ৰহণ কৰিব পাৰিছিল। পুৰুষৰ সমানেই নাৰীয়ে বেদৰ মন্ত্ৰ ৰচনা কৰাৰ উপৰিও তৰ্কশাস্ত্ৰ, দৰ্শন আদি বিষয় সমূহৰ সৃষ্টিত অৰিহণা আগবঢ়াই থৈ গৈছে। অসীম সাহস আৰু জ্ঞানেৰে এই বিষয়সমূহ সৃষ্টি কৰি তোলা কেইগৰাকী মান ঋষিকণ নাইবা ব্ৰহ্মবাদিনী হৈছে লোপামুদ্ৰা, ইন্দ্ৰাণী, সাবিত্ৰী, অপলা, ৰোমাশা.......। যদিওবা বৈদিক কালছোৱা নাৰী শিক্ষাৰ বাটকটীয়া স্বৰূপ আছিল কিন্তু তাৰ পিছৰ সময়খিনিত অৰ্থাৎ বৌদ্ধ যুগ, ইছলামিক যুগ, ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰাৰম্ভিক কালছোৱাত নাৰী শিক্ষা বহু-পৰিমাণে অৱহেলিত হোৱা দেখা যায়।

যিহেতু, ওপৰত আলোচনা কৰি আহিছোঁ যে, নাৰী শিক্ষাৰ ভিত্তিতে কেৱল এটা পৰিয়ালেই নহয়, এখন দেশ, এখন সমাজৰ ও বিকাশ হয়। এগৰাকী শিক্ষিত নাৰীয়ে দেশৰ অৰ্থনৈতিক, ৰাজনৈতিক দিশতো সহায়ৰ হাত আগবঢ়াই দেশৰ বিকাশ কৰিব পাৰে। এগৰাকী শিক্ষিত মহিলাই উন্নত মানদণ্ডৰ চাকৰি লাভ কৰি আয় উপাৰ্জনৰ পথ সুগম কৰি, লগতে অৰ্থনৈতিক বিকাশত অৰিহণা যোগাব পাৰে।

ঠিক সেইদৰে এগৰাকী শিক্ষিত মহিলাই দেশৰ ৰাজনৈতিক দিশত অসীম সাহসেৰে তেওঁলোকৰ মন্তব্য আৰু সু-বিচাৰ বিবেচনাৰে কাৰ্য সম্পাদন কৰি ৰাজনৈতিক দিশৰ বিকাশ কৰিব পাৰে। স্বাস্থ্যৰ দিশটোতো এগৰাকী শিক্ষিত মহিলাৰ অৱদান উল্লেখযোগ্য। স্বাস্থ্য বিষয়ৰ ওপৰত অধিক জ্ঞান আহৰণ কৰি নিজৰ লগতে পৰিয়ালৰ আৰু সমাজৰ দহজন ব্যক্তিৰ স্বাস্থ্যত অৱদান আগবঢ়াব পাৰে।

নাৰী শিক্ষা এক মৌলিক মানৱ অধিকাৰ, যি নাৰীৰ ব্যক্তিগত আৰু সমাজৰ প্ৰগতিৰ বাবে অবিহণা যোগায়। নাৰী শিক্ষা সম্বন্ধীয় বাধাসমূহ সমাধান কৰি, নাৰীৰ শিক্ষাৰ লগতে আন আন দিশত সম-অধিকাৰ, সুবিধা আৰু সুবিধা আৰু সুৰক্ষা প্ৰদান কৰি আমি বিশ্বজুৰি মহিলা / নাৰী / ছোৱালীৰ সম্পূৰ্ণ সম্ভাৱনাময় দুৱাৰ মুকলি কৰিব পাৰোঁ।

শ্ৰীমতী ৰশ্মি ফুকন।
স্নাতক পঞ্চম ষাণ্মাসিক।

# মানসিক সুস্থতা আৰু সংবেদনশীলতা

গভীৰ ভাৱে চিন্তা কৰা শক্তিয়ে তোমাক ক'ৰ পৰা ক'ৰলৈকে লৈ যাব পাৰে? বৰ্তমান সময়ত এটি অথা প্ৰজন্মৰ মাজত দৃষ্টিগোচৰ হোৱাৰ দেখা যায় যে মানুহবোৰ খুব চিওৰি তোলা হৈ আহিব ধৰিছে। প্ৰযুক্তি বিদ্যাৰ ফলত সকলো বস্তু উপলব্ধ হোৱাৰ স্বৰূপে কষ্ট কি তাক পাহৰিবলৈ ধৰিছে।

অওঁ একে প্ৰকাৰে আমাৰ সকলো ক্ষেত্ৰতে শেষ কৰি আহিবলৈ ধৰিছে। গতিকে এনে হোৱাৰ পৰা ৰক্ষা পাবলৈ মগজুৰে কৰা চিন্তাতকৈ কোনো পৰিস্থিতিৰ লগত হৃদয়ৰ মৰমৰ মাধ্যমেৰে পৰিচালনা কৰাটো উত্তম। মানসিকভাৱে সুস্থ হৈ থাকিবলৈ হ'লে প্ৰথমে জীৱনটো জীয়াবলৈ জনাটো দৰকাৰৰ কাৰণ। সমাজত কষৰত অজস্ৰ সম্পত্তি থাকিও সুখ অৰ্জন কৰিব পৰা নাই। আনহাতে কাৰোবাৰ কাপে-কাপ মাতি জীৱনটো অতিবাহিত কৰিও সুখত আছে।

জীৱনত সুখ-শান্তি লাভ কৰিবলৈ হ'লে সমাজৰ কিছুমান কথা প্ৰৰিও চলিব জানিব লাগিব। এটি সৰু কাহিনীৰ যোগেদি ইয়াক বুজা যায়। এদিন ৰাস্তাৰেদি এগ যাওঁতে মানুহ এগৰাকীৰ পৰা হঠাৎ পইচা ৰাস্তাত পৰি যায় এই ঘটনা এজন লৰাই দেখা পালে আৰু পইচা কেইটা তুলি ল'লে। আনুমানিক ১৫০-২০০ টকা হ'ব, সেই সময়তে ওচৰত থকা দুজনমান মানুহে আলোচনা কৰিলে যে ইমাৰ আজিৰ দিনটোত খৰচ গুলাই গ'ল। লৰাজনে ওতাতেয়া কি কাইকে লৈ গৈ মানুহ গৰাকীক পইচা কেইটা দি আহিলে। সেই সময়ত সেই ঠাইত উপস্থিত থকা মানুহ কেইজনে ক'লে যে আজিৰ দিনত এনেকুৱা মানুহ পোৱাটো ভাগ্যজনক। সেই ঠাইতে আন এজন ক'লে টকা কম হোৱা কাৰণেহে দিছে ৫০০- ১০০০ টকা হোৱা হ'লে কতনো দিলেহেতেন।

ইয়াৰ পৰা এইটোৱেই গম পোৱা গ'ল যে মানুহে কি ক'ব, ভাল পাব, বেয়া পাব ভাবিলে আশা কৰি লাভ নাই। সদায় ভাল কৰ্ম কৰি যাব লাগে, যাৰ ফল নিশ্চয়কৈ পোৱা যাব।

শ্ৰীমতী তানজিমা বেগম।
স্নাতক পঞ্চম ষাণ্মাসিক।

# সফল মাতৃত্ব

কৈশোৰকাল বয়সৰ বসন্তৰ সৌন্দৰ্য। সন্তান মাক-দেউতাকৰ লগতে ঘৰখন তথা নিজৰ অঞ্চল তথা সহপাঠীসকলৰ লগতে দেহৰ সৌন্দৰ্য, অলংকাৰৰ অবিহনে সৌন্দৰ্য স্ফূৰ্তি ফুটে। তাকে কৰিবলৈ হ'লে সকলোৱে নিজৰ পৰিয়ালৰ প্ৰতিজন সন্তানক বিশেষভাৱে লালন পালন কৰিব লগা হয়। বৰ্তমান সমাজত প্ৰণালী সহজলভ্য হ'ল। কিন্তু লগতে ঘৰখনৰ বিশেষ কৰ্তব্য বিদ্যমান আছে।

এটা পৰিয়াল আৰু সন্তানৰ সুচাৰুৰূপে পৰিচালনা কৰাত এগৰাকী মাতৃৰ ভূমিকা অপৰিসীম। মহিলাই/মাতৃয়ে যিকোনো বিষয়ত বিশ্লেষণ তথা সমালোচনাৰ দৃষ্টিভংগীৰে সক্ৰিয়তা সহ নিজে সিদ্ধান্ত ল'ব পাৰে। পৰম্পৰাৰ পৃথিৱীত শিক্ষাই ফল হোৱা নহয়। ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ দেশৰ যোগ্য প্ৰগতিৰ চিন্তাধাৰা, কৰ্মপ্ৰণালী, আত্মবিশ্বাস, গুণগুণৰ সৈতে দেহৰ শাৰীৰিক উন্নীত কৰি তোলাত শিশুটিৰ গুৰুত্বৰ কথা মূলস্থান হ'ল মাতৃয়েই নিজৰ পৰিয়াল গঢ়ি তোলা ঘৰখনৰ পৰিবেশটোতেই। মাতৃ গৰাকী যেতিয়া মমতাময়ী, যেতিয়া আকৌ ৰুচিসম্পন্না হ'বলগীয়া হয়। লগতে জ্ঞানৰ দিশে আপোনাৰ সন্তান নহওঁক কিয় আপোনাৰ সন্তানক ঘৰখনত

কেনেকৈহে শিক্ষা দিছে ? উত্তৰত সন্মত কৰা. সকলো খেলত কৰা, শিক্ষাগুৰুকো গুৰু আসন দিয়া, সমাজত কেনেকৈ ব্যৱহাৰ কৰিব লাগে, কলা-সংস্কৃতিয়ে ওচৰ বা বিজ্ঞান প্ৰযুক্তিৰ. দেশ বিদেশৰ-ৰ কথাৰ আদি সকলো সৰতে বেছি শিকাব লাগে, সন্তানৰ ব্যক্তিত্বৰ শুদ্ধ উচিত ধৰা ব্যতি জুৰাইলকো-বিভিন্ন ধৰণৰ অভ্যাস আত্মবিশ্বাস থাকিব পাৰে, সকলো মুকলিকৈ আলোচনা কৰিব পাৰে, সিদ্ধান্তসমূহ লব লাগে এক সমালোচনাৰ জৰিয়তে, পৰিষ্কাৰ পৰিচ্ছন্নতা সমাজৰ মূলমন্ত্ৰ, সকলো কাম কাজ দি এটা শিকো নিয়াৰিকৈ শিকিব লাগে, পৰম্পৰাগত কেতিয়াবা সকলো সমস্যা নাজানিবও পাৰে, কিন্তু তেতিয়া কোনো জ্ঞানী লোকৰ সহায়েৰে শিকোৱাৰ কথা চিন্তা কৰিব লাগে,

প্ৰতিদিনে প্ৰতিপলে নতুন নতুন কিবা শিকিছেনে সময় কৰিব লাগে, যেনে অনুসৰি স্বাস্থ্যৰ উন্নতি-হৈছেনে, এই কথাৰ প্ৰতিও লক্ষ্য দিব লাগে, পঢ়া শুনাৰ লগতে খেলধুলা কৰিছেনে; যদি সম্ভৱ হয় খেল ধেমালি, কৃষি সংস্কৃতিৰ যোগাযোগ বাঢ়িবলৈ আন্তঃ-ৰাজ্যিক পৰ্যায়ত নিব পাৰি নেকি সেইবোৰ চিন্তা কৰিব লাগে, প্ৰতিযোগী মাধ্যমে শিকোৱাৰ সকলো ভাল শিক্ষাৰ কোনটো কোনটো শিক্ষাৰ প্ৰতি সন্তান-ৰ ধাউতি বেছি আছে সেই কথা লক্ষ্য ৰখাটো বিশেষ প্ৰয়োজন আৰু সেইমতেহে উচিত পথ উচ্চতৰে

দিলে যোৱাটোহে প্ৰকৃত মাতৃৰ কৰ্তব্য। মাতৃগৰাকী সন্তানৰ প্ৰকৃত জীৱনী বন্ধু হ'ব পাৰিব লাগে। সন্তানে কোনো ভয় সংকোচ নোকৰাকৈ সকলো কথা পাতিব মাতৃৱে ঘৰ পৰাকৈ পৰিৱেশ এটা গঢ়ি দিব লাগে, লগতে মাতৃৰ সেই উপদেশ সন্তানৰ নিজৰ লগতে আৰু সমাজখনতো এখন উচ্চ আসন পাব পৰা হ'ব লাগে। এনেবোৰ বয়স বাঢ়িবলৈ হ'লে মাতৃগৰাকীয়ে নিজৰ বস্তুবোৰ ৰক্ষা কাম ত্যাগ কৰিব লাগিব। মাতৃগৰাকীয়ে হুকে বিহুকে ফুৰাফুৰা কৰি ঘৰৰ পৰা আঁতৰি থাকিব নালাগিব। মাতৃগৰাকীয়ে এটা-সৰল পৰিৱেশৰ মাজেদি সন্তানে পঢ়াশালিৰ প্ৰতি বিষয়ৰ শিক্ষাগুৰুৱে কেনেদৰে মন্তব্য বা পাঠ পঢ়াইছিল এনেবোৰ কথাৰ মাজেৰে মাতৃগৰাকীয়ে সোধাই যাবলৈ চেষ্টা কৰিব লাগে।

মাতৃগৰাকীয়ে পঢ়াশালিৰ শিক্ষাগুৰুৰ লগত সময়ে সময়ে দুয়োৰ আলাপ আলোচনা কৰাটো অতি প্ৰয়োজন। তেতিয়াহে নিজৰ সন্তানৰ দুৰ্বলতা সবলতাৰ কৰিবলৈ বিষয়ে জানিব পাৰে। লগতে দুৰ্বলতাবোৰ সবল কৰিবলৈ শিক্ষাগুৰুৰ পৰা দিহা পৰামৰ্শ লব লাগে। সেই মতে কাম কাজ কৰাটো অতি প্ৰয়োজন। এইদৰে সন্তানৰ প্ৰতিটো সময়ৰ প্ৰতি লক্ষ্য ৰাখিলে মাতাতো সন্তানটিয়ে নিজৰ ভৱিষ্যত নিৰ্ভেজ গঢ়ি দিব পাৰিব। তেতিয়াহে মাতৃত্ব জীৱনৰ সফলতা অনিবাৰ্য।

~ অনুভূমী বড়ো
পঞ্চম ষাণ্মাসিক

# জীৱন

জীৱন হৈছে এটা জীয়াই থকাৰ বাবে কৰা এক সংগ্ৰাম। জীৱন কাহাৰোবাৰ বাবে বাহিৰৰ আৰু ভিন্ন-মানৰ বাবে একেবাৰে সুকীয়া। জীৱনে কেতিয়াবা হঁহুৱাই আৰু কেতিয়াবা কন্দুৱাই। জীৱন হৈছে ভিন্ন ৰঙৰ সমাহাৰ। জীৱনে হয়তো হঁহুৱাই আৰু হয়তো কন্দুৱাই। জীৱন কেতিয়াও সমাধান কৰিব নোৱাৰা অংকৰ দৰে যত সহজ অংকৰ দৰে যোগ বিয়োগ অৰ্থাৎ সুখ দুখ হৈ থাকিবই। এই জীৱনক মানুহে জীয়াই থাকিবৰ বাবে কেতিয়া কি কৰা নাই, তাৰ কামৰ কামেও চলায়, লুণ্ঠন, চুৰ ডকাইতি আৰু যে কত কি? আনকি নিজৰ সুখৰ বাবে বলাৎকাৰৰ দৰে কাম কৰিবলৈও ভয় নকৰে। এই জীৱনত কোনোৱেই নিজৰ কৰ্মৰ বাবে সফলতা লাভ কৰা পাওঁতে সেই সফলতাক মানুহে দেখিব নোৱাৰে। জীৱনত বহুতে বহুত হেৰুৱাই আৰু পায়। জীৱন মানে এক বুজা সমৰ, জীৱন কেতিয়াবা তিতা আৰু কেতিয়াবা মিঠা। কেতিয়াবা মন এই জীৱনক লৈ মৰিম মন যাব কিন্তু নিজকে শেষ কৰিবও নোৱাৰিব। কোনো এটা কামো বুলি ভাবিলেও কৰিব নোৱাৰি। এইয়া হৈছে জীৱন এক নিমিলা অংক।

~ কৃষ্ণা হাজৰিকা
পঞ্চম ষান্মাসিক

# প্ৰবন্ধ

## কল্পনা, বাস্তৱ আৰু তাৰ দোমোজা

সাধাৰণতে মানুহে কম কষ্টত বেছি ফল আশা কৰে। তেনেকৈ নিজৰ কল্পনা শক্তিৰ আশ্ৰয় লৈ বিচাৰ-বিবেচনাৰে চিন্তাধাৰা যোকোৱা ধাৰ নিয়াৰিকৈ তুলে-শুদ্ধই অন্যৰ আদৰ্শক অনুকৰণ কৰি প্ৰশান্তিবোধ কৰে। নিজকে অন্যৰ জ্ঞানেৰে জ্ঞানী কৰি তুলিবলৈ বেছি ভাল পায় মানুহে। সেয়ে মূল্য কম হ'লেও সমাজৰ বজাৰখনত ডাস্তীয়া বস্তুৰেহে সমাদৰ পোৱা-দেখা যায়। নিম্নমানৰ আদৰ্শৰ ওপৰত আহি ভিৰ কৰেহি। তাকে দেখি অন্য সকলেও আকৌ সেই ভিৰতেই যোগদান কৰে। যিহেতু ভিৰৰ মাজত মানুহে অধিক নিৰাপদ অনুভৱ কৰে। কিন্তু ভিৰৰ মাজতহে যে মানুহ প্ৰকৃততে অকলশৰীয়া হৈ পৰে, সেয়া হ'লে মুঠেই পাহৰি যায়। তেনেকৈ সৰুৰে পৰা ডাঙৰে, অভিজ্ঞ জনে কোৱা বুলি মানি অন্ধ বা অন্ধ অনুকৰণ কৰি অসংখ্য জনে প্ৰকৃততে যি অভিজ্ঞতা প্ৰাপ্ত কৰে, সেয়াও বিবেচনাযোগ্য অভিজ্ঞতাৰ সংজ্ঞাই যেন ভেটিয়া সলনি হৈ পাৰে। তেওঁৰ সেই অভিজ্ঞতাই যেন মানুহ শেষৰ পথত থকা অন্য এটা নৱজাতকক বিপথে পৰিচালিত কৰিব। আৰু কোনোবাই তেওঁৰ অভিজ্ঞতাক নিঃস্বাৰ্থ ব্যক্ত কৰিলে সেয়া বিবেচনা কৰক, নিজক শুদ্ধ প্ৰতিপন্ন কৰাৰ চেষ্টাহে তেওঁ কৰিব। যিহেতু এয়া তেওঁৰ জ্ঞান, অভিজ্ঞতা হব পাৰে সেয়া, আনৰ পৰা লাভ কৰা শক্তিৰে আমি কাৰ পৰা কি গ্ৰহণ কৰিছোঁ সেয়া গুৰুত্বপূৰ্ণ। এইখিনিতে এটা বিষয় এষাৰেৰে নিশ্চয়কৈ ভিন্নতাৰ পৰিচয় দিব। ভগৱান অশৰীৰী তথা চৰ্তহীন আত্মাৰ প্ৰতীক, সংজ্ঞাহীন এটা শব্দ। ভগৱান যি আজন্ম, জন্ম মাথ মানৱ।

– কৃষ্ণা গগৈ
পঞ্চম ষাণ্মাসিক

# বিশ্বৰ কনিষ্ঠতম নোবেল বঁটা বিজয়ী

→ শ্ৰীমতী মুস্কান বেগম
→ স্নাতক পঞ্চম ষাণ্মাসিক

মালালা ইউচুফজাইৰ নাম নুশুনা আৰু আজি তেওঁক চিনি নোপোৱা মানুহ খুব কমেই ওলাব ২০১২ চনৰ অক্টোবৰ মাহত মালালা ইউচুফজাইৰ লগত হোৱা ঘটনাটোৱে পৃথিৱীৰ সকলো প্ৰান্তৰ মানুহকে হতভম্ব কৰিছিল। মালালা হৈছে পাকিস্তানৰ মিগৰা নামৰ এখন সৰু চহৰৰ এগৰাকী সাধাৰণ ছোৱালী। মালালাৰ জন্ম হয় ১৯৯৭ চনৰ ১২ জুলাই। তেখেতৰ দেউতাকৰ নাম জিয়াউদ্দিন ইউচুফজাই আৰু মাতৃৰ নাম তুৰপেকাই ইউচুফজাই। তেখেতৰ পৰিয়ালে স্বাট উপত্যকা মাজেৰে এডোখৰ ঠাইত কেইখনমান পঢ়াশালি স্থাপন আৰু শিক্ষাদান কৰি জীৱন নিৰ্বাহ কৰিছিল।

মালালা ইউচুফজাই আজি এগৰাকী বিশ্ববিখ্যাত মহিলা। তেখেত বিখ্যাত হোৱাৰ আঁৰত থকা মূল কথা হ'ল যে মালালা এগৰাকী শিক্ষাৰ প্ৰতি সজাগতা অনা আৰু শিক্ষাৰ মানৱ অধিকাৰক লৈ সংগ্ৰাম কৰা সৰ্বকনিষ্ঠ ব্যক্তি। তেখেতে মহিলাৰ বাবে শিক্ষাৰ কোনো বান্ধোন নাই বুলি মাত মাতিছিল আৰু সেই কথাৰেই আন্দোলন কৰি মানুহক সজাগ কৰিছিল। সেইসময়ত আৰু আজি পৰ্যন্তও পাকিস্তানৰ বহু অঞ্চলত মহিলাক শিক্ষা গ্ৰহণ কৰিবলৈ দিয়া নহয়। মালাই উপস্থাপন কৰা মহিলাৰ শিক্ষাৰ এই নতুন নিয়ম ৰোধ কৰিবলৈ বহুতো সন্ত্ৰাসবাদী সংগঠনে, বিশেষকৈ তালিবানে বহু কঠোৰ ব্যৱস্থা হাতত লৈছিল। কিন্তু তথাপিও মালালাৰ এই নীতিৰ এক আন্তঃ ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ সজাগতা লাভ কৰিছিল।

২০০৯ চনত মালালাই বি. বি. চি লৈ এটা ব্লগ লিখিছিল য'ত তেওঁ ছদ্মনামেৰে সেইসময়ত পৰিস্থিতিৰ সম্পৰ্কে বৰ্ণনা দিছিল। তেখেতে সম্পূৰ্ণ মুক্তভাৱে সেই বৰ্ণনাত তালিবান শাসনকাৰ্য আৰু তালিবানে লোকৰ অত্যাচাৰৰ ওপৰত গুৰুত্বৰ ভাৱে নিজৰ স্থিতি প্ৰকাশ কৰিছিল। লগতে তেওঁ লিখিছিল যে কেনেকৈ তেওঁৰ সেই 'স্বাট উপত্যকাৰ ছোৱালীবোৰক বিদ্যালয়লৈ যাবলৈ নিষেধাজ্ঞা কৰা হৈছিল। তেওঁ ইয়াৰ সম্পূৰ্ণ বিৰোধ কৰিছিল। এইক্ষেত্ৰত সাংবাদিক তথা এন. জি. অ ৰ ভূমিকা অসীম

আছিল। তেওঁলোকে মালালাৰ সাক্ষাৎকাৰ গ্ৰহণ কৰি তেওঁ আগবঢ়োৱা সকলো পদক্ষেপক বিস্তৃতভাৱে জনসাধাৰণৰ আগত দাঙি ধৰিছিল। এনেকৈয়ে মালালা সমাজত বিখ্যাত হৈ পৰিছিল। মালালাই বহু সাহসেৰে আৰু নিৰ্ভয়েৰে মুকলিকৈ সকলো কথা ব্যক্ত কৰিছিল। এই কাৰ্যৰ পাছত ২০১২ চনৰ ৯ অক্টোবৰ তাৰিখে মালালা স্কুললৈ যাবলৈ স্কুল বাছত উঠিল। বাছখনত এজন বন্দুকধাৰী দুষ্কৃতিকাৰীয়ে তেওঁক মালালা বুলি জানি মুখেকতে বন্দুকেৰে তেওঁক তিনিটা গুলি মাৰি গুচি গ'ল। তাৰে এটা গুলি মালালাৰ কপালত লাগিছিল। তাৰ পাছত কেইদিনমানলৈ মালালাৰ অৱস্থা গুৰুতৰ হৈ থাকিল। মালালা মৃত্যুৰ সৈতে যুঁজি আছিল। সকলোৱেই তেওঁৰ জীৱিত থকাৰ আশা এৰি দিছিল। কিন্তু মালালাক ইংলেণ্ডৰ কুইন এলিজাবেথৰ হাস্পাতাললৈ স্থানান্তৰ কৰাৰ পাছত তেওঁৰ অৱস্থা আশংকামুক্তৰূপে পৰিণত হৈছিল।এই সকলোবিলাক পৰিস্থিতিৰ সন্মুখীন হোৱাৰ পাছতো ১৭ বছৰীয়া জোৱালী জনীয়ে সাহসেৰে আগবাঢ়ি গ'ল।

অৱশেষত ২০১৪ চনৰ ১০ অক্টোবৰ তাৰিখে এই কনিষ্ঠ মহিলা শিক্ষাৰ অধিকাৰৰ আন্দোলনকাৰী মালালা ইউছুফজাইক "২০১৪ৰ শান্তি নোবেল বঁটা" প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰা হ'ল। নোবেল বঁটা বিজয়ী সকলৰ ইতিহাসত মালালায়ে হৈছে সকলোতকৈ কনিষ্ঠতম ব্যক্তি। তেওঁৰ আত্মবিশ্বাসৰ ফলতেই এই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সুখ্যাতি লাভ কৰিবলৈ সক্ষম হৈছে।

২০১৩ চনত মালালাই নিজ জীৱনীৰূপে I AM MALALA নামেৰে এখন কিতাপ প্ৰস্তুত কৰি উলিয়াইছিল এই কিতাপখনত মালালাই তেওঁৰ জীৱনৰ ঘটনাসমূহ বৰ্ণনা কৰা উপৰিও তেওঁ ৰাজনীতিবিদ হোৱাৰ মূল কাৰণটোও বিৱৰণসহ উল্লেখ কৰিছে। তেওঁৰ জীৱনীখনৰ এশাৰী বাক্য উল্লেখ কৰিলে — "মই নিজকে ক'লো মালালা; তুমি এবাৰ মৃত্যুৰ সৈতে সন্মুখীন হ'লা এইয়া তোমাৰ দ্বিতীয় জীৱন। তুমি ভয় নকৰিবা; ভয় কৰিলে তুমি কোনোদিনেই আগবাঢ়িব নোৱাৰিবা।"

# মোক অনুপ্ৰেৰণা যোগোৱা এখন গ্ৰন্থ

→ শ্ৰীমতী পাহি ঘৰফলীয়া
→ স্নাতক তৃতীয় যাণ্মাসিক

যিদিৰে মনত গভীৰ আত্মবিশ্বাস আৰু কিবা এটা কৰাৰ অদম্য হেঁপাহ থাকে তেতিয়া কোনো হতাশাই মানুহৰ সফলতাৰ খোজত বাধাৰ সৃষ্টি কৰিব নোৱাৰে।

শৈশৱতীয়াকৈ পঢ়া এখন গ্ৰন্থ যিখনে মোক শিকালে জীৱন যুদ্ধত হাৰ নমনা যুঁজা হ'বলৈ আৰু শিকালে সাহসী, উদ্যমী আৰু আত্মবিশ্বাসী হ'বলৈ। সেই গ্ৰন্থখনেই হৈছে ড° কমল মাউতৰ "মোৰো এটা সপোন আছে" শীৰ্ষক গ্ৰন্থখনি। এই গ্ৰন্থখন ড° কমল মাউতৰ আত্মজীৱনীমূলক গ্ৰন্থ। এই গ্ৰন্থখনত তেওঁ চাৰিটা অধ্যায়েৰে তেওঁৰ জীৱন সংগ্ৰামৰ কাহিনী বৰ্ণনা কৰিছে — শৈশৱ, সংগ্ৰাম, সুযোগ আৰু দেউতাৰ অসুখ। এই গ্ৰন্থখনৰ জৰিয়তে তেওঁ শৈশৱৰ পৰা কৰা সংগ্ৰামৰ পৰা সফলতাৰ শিখৰত উপনীত হোৱালৈকে নিখুঁতভাৱে বৰ্ণনা কৰিছে।

মাউত ভাণ্ডৰীয়া আছিল অতি পিছপৰা অসম-অৰুণাচল সীমান্তৰ কৈলাসপুৰৰ উজনা ন-পাৰৰ বাসিন্দা। তেওঁলোকৰ গাওঁখন যাতায়ত-যোগাযোগৰ ব্যৱস্থাত অতি পিছপৰা এখন ভিতৰুৱা অঞ্চলৰ গাওঁ আছিল। তেওঁৰ দেউতা আছিল এজন খেতিয়ক। পৰিস্থিতিত পৰি মাউত ভাণ্ডৰীয়াই বজাৰত শাক-পাচলিও বিক্ৰী কৰিছিল। মেট্ৰিকৰ ৰিজাল্ট দিয়াৰ পাছত দেউতাকে তেওঁক পঢ়াবৰ বাবে খেতি-মাটি বন্ধকত দিছিল। তিনিচুকীয়াৰ চেনাইৰাম হায়াৰ চেকেণ্ডাৰীত নাম লগোৱাৰ পিছত কেইদিনমান তেওঁ ঘৰৰ পৰা অহা-যোৱাৰ সিদ্ধান্ত লৈছিল। ঘৰৰ পৰা অহাযোৱা কৰা দিনকেইটাত বৰ কষ্টকৰ

আছিল। কাৰণ তিনিচুকীয়ালৈ বহুদূৰ আছিল। বতৰ বেয়া লগতে বাট ছোৱা বন্ধ হোৱাৰ বাবে এদিনত পাঁচ ঘন্টাকৈ খোজ-কাঢ়ি বাট ধৰা মুঠ পাঁচদিন ঘৰৰ পৰা অহা-যোৱা কৰিছিল।

গ্ৰন্থখনত: তেওঁৰ শৈশৱ-যৌৱনত কিদৰে বিভিন্ন ঘাত-প্ৰতিঘাট আৰু দৰিদ্ৰতাৰ লগতে ঘৰুৱা সমস্যাৰে জৰ্জৰিত পৰিৱেশৰ পৰা সংগ্ৰামৰ মাজেৰে আহি এদিন আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাচাচুচেটচ বিশ্ববিদ্যালয়লৈ গৈছিল তাৰ বৰ্ণনা দিছে। অসমৰ অতি পিছপৰা এখন গাঁৱৰ পৰা গৈ এদিন ৱাশ্বিংটন বিশ্ববিদ্যালয়ৰ স্কুল অৱ মেডিচিনত জীৱ-বিজ্ঞানৰ এক যুগান্তকাৰী আৱিষ্কাৰ। জিন এডিটিঙৰ বিষয়ত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰা এই পথ হোৱা আছিল অত্যন্ত ঘাট-প্ৰতিঘাটেৰে ভৰা এক কষ্টময় পথ। তথাপিও তেওঁ আশা এৰা নাছিল। দৰিদ্ৰতাক নেওচি তেওঁ এদিন সফলতাৰ শিখৰ স্পৰ্শ কৰে। ঘৰুৱা সমস্যাৰে জৰ্জৰিত মাটিতে অদম্য, সাহস, আৰু দৃঢ়বিশ্বাস বুকুত বান্ধি আমেৰিকা যুক্তৰাষ্ট্ৰলৈ যাবলৈ সক্ষম হৈছিল। আমেৰিকাত থাকোঁতে আমেৰিকাত কৰা বৈজ্ঞানিক উদ্ভাৱন আৰু স্বাস্থ্যগত দিশৰ সৈতে সম্পৰ্কিত এক সংবেদনশীল কাহিনী বৰ্ণনা কৰিছে এই গ্ৰন্থখনত।


গ্ৰন্থখনিয়ে প্ৰতিজন পাঠকক বিশেষকৈ ছাত্ৰ-ছাত্ৰী সমাজক অধিক উৎসাহ আৰু অনুপ্ৰাণিত কৰি জীৱনৰ সফলতাৰ বাট দেখুওৱা বুলি সক্ষম হৈছে। মানুহে জীৱনলৈ অহা বাধা অতিক্ৰম কৰিব পৰাকৈ মানসিকভাৱে শক্তিশালী হ'ব লাগে। জীৱনলৈ হতাশা অহাটো স্বাভাৱিক, কিন্তু সেই হতাশা আঁতৰাই সফলতাৰ দিশত খোজ দিয়াটো আমাৰ লক্ষ্য হোৱা উচিত, এই কথা 'মোৰো এটা সপোন আছে' গ্ৰন্থখনে প্ৰতীয়মান কৰে।

যিকি নহওক, 'মোৰো এটা সপোন আছে' শীৰ্ষক গ্ৰন্থখনিয়ে মোৰ মনত গভীৰ সাঁচ বহুৱাই থৈ গ'ল। এই গ্ৰন্থখন পঢ়ি মই অনুভৱ কৰিছো যে মানুহে তেতিয়াহে সফলতা লাভ কৰিব পাৰিব যেতিয়া

জীৱনলৈ অহা ঘাট – প্ৰতিঘাটৰ সৈতে সংগ্ৰাম কৰি সকলো বাধা নেওচি সপোনৰ দিশত খোজ লয়। এই গ্ৰন্থখন পঢ়ি যাতে সমগ্ৰ ছাত্ৰ সমাজে হতাশা, দৰিদ্ৰতা আদি প্ৰতিবন্ধকতাবোৰ নেওচি সপোন দেখক আৰু সেই সপোন বাস্তৱৰূপায়িত কৰিবলৈ জীৱন যুদ্ধত নামি সফলতাৰ শিখৰ স্পৰ্শ কৰক এই আশা ৰাখিলোঁ।

# My favourite book : I am Malala : The girl who Stood up for Education and was shot by Taliban

This book was written by Malala Yousafzai, Co-Written with Christina Lamb. This book is not just a Malala personal story but also a discussed about the struggles faced by girls and women in Pakistan and the broader global fight for education. This book is my favourite because her courage, dedication and also her revolutionary spirit towards the rights of girls education and basic human rights, I get inspire by her story. Her story of standing up education and human rights despites the dangers, speaks to your belief is the importance of fighting for what is right. Her voice is one of the sign of hope for girls education and basic human rights. From I am Malala, I learned about the incredible power of education and the importance of standing up for rights. Her story teaches us that one voice can make significant difference, no matter how young or small that voice may seen. The book also highlights the harsh reality who denied basic human rights, particularly girls and woman, because at that time Taliban gain control including their ban on girls' education and many girls school bomb by the taliban. Girls and Women doesn't have to enjoy their own rights. So, this book emphasizes the necessity of courage and determination in fight for justice and equality. It is a powerful reminder of the resilience of the human spirit and the impact of perseverance in the face of adversity.



Miss Neha Ahmed
BA. 5th Semester

# Women safety issues and assured safety

crime such as rape, harassment, and domestic violence are prevalent in india. High-profile cases have drawn attention to these issues, but many incident still go unreported due to social sigma and fear of retaliation. Women in some regions face violent acts such as acid attacks or honor killings, often motivated by family reputation, refusal of marriage proposals, or attempts to assert independence.

Weak Law enforcement and Delayed justice - Indias legal system often has delays in processing cases related to crimes against women, leading to long waits for justice. There are also concerns about lenient punichments for perpetrators. Which can embolden offenders. Many women do not report crimes due to fear of insensitive treatment by the police or lack of action. police departments are oftens criticized for being under-trained in dealing with gender-based violence.

"Empowering women: Navigating safty in public spaces and online

This article could explore:

- Strategies for personal safty in urban environments
- How to protect oneself from cyberstalking and online harassment
- The role of technology (e.g., safty apps, GPS tracking).

~ Name: Asfika Hasan
~ 5th Semester.




# কবিতায়
# কৃকি....

# অসম আজি কোন দিশে ?

অসমীৰ পুত্ৰী হৈ
গগত গংগাটোপ হোৱা হৃদয়ে,
আজি বাৰে বাৰে চিৎকাৰ কৰে।
প্ৰশ্নৰ উপৰি প্ৰশ্ন কৰে ;
আজিৰ অসম কোন দিশে ?
আজিৰ অসম কোন দিশে ?
গৰ্ব কিহৰ ?

যি অসমত বাৰে বাৰে লাঞ্ছিত হয় নাৰী,
যি অসমত নাৰী হয় শোষণৰ বলি
সেই অসমৰ হৈ বুকু ফিন্দোৱাৰ
কাৰণেই বা কি ?
জাতি, মাটি, ভেটিৰ বাবে
কৰি সংঘৰ্ষ,
কিয় কৰে ? কিয় কৰে ?
নিৰ্দোষী নাৰীৰ, জীৱন ধ্বংস !
যাৰ ওপৰত অসমী আইয়ে
কৰিছিল দায়িত্ব অৰ্পণ,
সিয়েই আজি অন্ধ হয়,
দায়িত্বকো দিয়ে বিসৰ্জন।
চকু মুদি ;
টেটু ফালি;
দিয়ে বৰ্বৰ ভাষণ,



দায়িত্বও ইয়াতেই সমাপন ।
ন্যায় অতীত , ধৰ্ম অতীত
সকলোতে আজি অতীত,
অসমী আই নিজৰ আগতেই
হয় আজি লজ্জিত ।
অতিকৈ লজ্জিত , অতিকৈ লজ্জিত ।

শ্ৰীমতী দৃক্ষামী কাকতি ।
স্নাতক তৃতীয় ষাণ্মাসিক ।

# সময়...

চকুৰ পলকতে পাৰ হৈ
যোৱাই হয়
সময়,
কাৰোবাৰ বাবে হৈ নথকাই
হয় সময়,
নদীৰ সুঁতৰ দৰে হৈ
যোৱাই হয়
সময়,
সকলো কামৰ অভ্যাসেই
হয় সময়
অতীতৰ মধুৰ স্মৃতিয়েই
হয় সময়
ভৱিষ্যতৰ ভাবৰ সফলতাৰেই
হয় সময়
অপেক্ষাৰ মূল মন্ত্ৰেই
হয় সময়।

— তাহিৰা বেগম
স্নাতক প্ৰথম ষাণ্মাসিক

# মেউত্য

মোৰ জীৱনৰ প্ৰথম
সাহস তুমি
সকলোৰে দুখ নিজৰ ওপৰত
লোৱা জনেই তুমি
আমাৰ বাবে নিজক বেছৰাই
দিয়া জনেই তুমি
দিন ৰাতি একাগ্ৰতাৰে চেষ্টা
কৰা জনেই তুমি
জীৱনৰ প্ৰথম বন্ধু আৰু ভাল
পোৱা জনেই তুমি
বিপদৰ পৰা বচাই ৰখা
জনেই তুমি
তুমিয়েই সংসাৰ
তুমিয়েই ঘৰেৰ
সকলোতে সদায় তুমিয়েই
কেৱল তুমি
তোমাৰ অবিহনে কোনো
নহয় এই জীৱন
থাকোৰ লগৰী ॥

~ আফচানা
চুলতানা
প্ৰথম ষাণ্মাসিক


# মোৰ জীৱন

জনমে জনমে তুমি মোৰ আত্মা বুকুত সোমাই
তোমাকে প্ৰণাম কৰি জীৱনৰ বাটত যাওঁ আগুৱাই,

জ্ঞান দিয়া, বুদ্ধি দিয়া হে প্ৰভু
তাকে লৈ জীৱনটো গঢ়োঁ।

হে মোৰ জ্ঞানৰ পূজাৰী
দিয়া আমাক জ্ঞান, দিয়া আমাক ভক্তি
জীৱনত কৰোঁ যেন আমি উন্নতি।

হে মোৰ দয়াৰ পূজাৰী
কৰাহে দয়া, কৰাহে ক্ষমা
জীৱনত পাওঁ যেন আমি সফলতা
মোৰ জীৱনত আছে বহুতো আশা
তাৰ বাবে কৰোঁ মই সদায় প্ৰাৰ্থনা।



শ্ৰীমতী ৰিম্পী বেগম।
স্নাতক প্ৰথম ষাণ্মাসিক।

# নদীৰ কথা

এখন নদী আছে
যশু ভূৰুক আপোনাক কৰা
এখন নদী
ইতিহাসৰ পৃষ্ঠা অতিক্ৰম কৰি
বৰ্তমানক সাম্মুখি কথা এখন নদী,
এই নদীয়ে কি যায়
একোটা কাহিনীৰ আঁৰৰ
গুপুত কথাবোৰ.....
প্ৰশ্নবোৰক প্ৰশ্ন আৰু
উত্তৰবোৰক উত্তৰ দি মৰা
আশা, প্ৰত্যাশাবোৰ....
নদীৰ সোঁত দেখি
যশুতো আকৌ এই নদীৰ
প্ৰেমত পৰে....
কোনোবা প্ৰেমত প্ৰতাৰিত
প্ৰেমিকাৰ প্ৰেয়সীক
বিচাৰায় হবে ...
অনন্ত নদীৰ হবে এই নদীয়েও
কিন্তু মনায়।
বিলাসী অট্টালিকাৰ পৰা

উৰে খোৱা পজালৈ
হাজাৰ মানুহৰ আশা
এই নদীৰ সোঁতে
কঢ়িয়াই নিয়ে...

নদীৰ বুকুত সৃষ্টি হয়
কিছুমান আৱৰ্ত
তথাপিও নদী সমাধি নহয়
নদী আগুৱাই যায়
নদী হতাশা নহয়,

— পাৰ্লী গগৈ
প্ৰাক্তন ছাত্ৰী


# অনুভৱৰ দলিচা

বৈ থকা নাৱত ধৰি
পাৰ হ'ব খোজা সাহসী যাত্ৰা
এপলক যদি আহি ধৰা দিয়া সন্মুখত
বিচাৰি পামনে হেঙুলীয়া আভা!
লিখিবলৈ যত্ন কৰোঁ নীৰৱ ভাষা
ফেঁটা সপোনে নেজানে বৰষুণৰ কথা
কিছু ক্ষণ তোমাৰ, কিছু ক্ষণ মোৰ
তাৰ বাহিৰেনো আছেনো কি?
স্তব্ধ সময়ে উশাহ ল'বলৈ শিকাই
শূন্যতাৰ গৰাহৰ পৰাও জীৱনৰ সোৱাদ ল'বলৈ শিকাই
কি আছে কি নাই নাজানো
সঁচা কি মিছা কি নাজানো
অনুভৱৰ দলিচাত চেহেনৰ টোপোলা মেৰিয়াই
একান্ত হ'ব খোজা হৃদয়ৰ তাগিদাত
এপাৰী মাতৰ বাবে মাথো অপেক্ষা কৰো।




শ্ৰীমতী অলপনা দাস।
স্নাতক তৃতীয় ষাণ্মাসিক।

# বৰষুণলৈ অপেক্ষা



আজি বহুদিনেই হ'ল,
মই ৰৈ আছোঁ,
এজাক বৰষুণৰ
অপেক্ষাত,
এবাৰ তিতিবলৈ মন আছে
এই বৰষুণ জাকত,
কিজানি সেই বৰষুণৰ টোপালে
মচি পেলাই মোৰ
হেৰুওৱা দিনৰ স্মৃতিবোৰ.
সেয়ে ৰৈ আছো মই
এজাক বৰষুণৰ অপেক্ষাত......



জাস্মিন চুলতানা ৰহমান
স্নাতক তৃতীয় ষাণ্মাসিক
ৰোল নং - ১২৮

# বৰষা


শ্ৰীমতী মুস্কান বেগম
স্নাতক পঞ্চম ষাণ্মাসিক

বৰষা তুমি আহা ভিৰ ভিৰকৈ আহা
আহা..... সোনকালে,
মেঘেদি ৰূপালী আভা লৈ আহা
প্ৰকৃতি উত্তাপত দহিত হৈ
প্ৰকৃতিলৈ আহা ॥
শুকান, ধূলিময় দেৱেকণি আজি অপেক্ষাত
তোমাৰ স্পৰ্শৰ বাবে,
সূৰ্যৰ তাপে চেপি শুকান কৰি পেলোৱা
প্ৰকৃতি বেদনাময় লৈ
দৃষ্টিগোচৰ কৰি অলপো বেয়া লগা
নাইনে ? তোমাৰ ।
বসুন্ধৰা.... এই দুৰৱস্থাত এটোপি চকুলোৰ
নিগৰা নাইনে ? তোমাৰ ॥
প্ৰকৃতি অসহায়তাময় নোহোৱানে তুমি
বৰষা আহি প্ৰকৃতি সেউজীয়া বিনন্দীয়া
সুকোমল পৰশটি লৈ আহা,
প্ৰকৃতি সুকুত সোণাৰু, খৰিকাজাই, কৃষ্ণচূড়া, আদিৰ
এই ফুল ফুলাই দিয়া....
আহা বৰষা ॥

# এপাহি ফুল

→ শ্ৰীমতী ৰেশ্মি গগৈ
→ স্নাতক প্ৰথম ষাণ্মাসিক

ফুলে পাহি নৌ মেলোঁতেই
কিয় কলীটি মোহাৰি পেলালি?
সপোনবোৰ পূৰ্ণ নৌহওঁতেই
কিয় ভৰিৰে গচকি পেলালি?
কি দোষ আছিল সেই নাবালিকাৰ?
এটি নিষ্পাপ মন, এখনি কোমল হৃদয়ক
কিয় চিৰ বিদায় দিলি?
জীৱনৰ ৰংবোৰ কিয় হেৰুৱাই দিলি?
ল'ৰালি জীৱন কিয় কাঢ়ি নিলি?
হয়তো! এদিন বুজিবি।
হয়তো! এদিন উপলব্ধি কৰিবি।
মাতৃৰ বুকু উদং কৰি
যন্ত্ৰণাৰে গঢ়া নৰপিশাচ
তইয়ো হ'বি এদিন ভুক্তভোগী।
তইয়ো হ'বি এদিন ভুক্তভোগী।



# মোৰ প্ৰিয় বান্ধৱী

→ শ্ৰীমতী সুস্মিতা শৰ্মা
→ স্নাতক পঞ্চম ষাণ্মাসিক

বন্ধু মানে মুক্ত আকাশ...
বন্ধু মানে ভাল পোৱা...
বন্ধু মানে খং অভিমান...
বন্ধু মানে হাঁহিৰ কীৰিলী...
বন্ধু মানে শেষ নোহোৱা বাৰ্তা...

বন্ধুত্ব হ'ল আমাৰ জীৱনৰ আটাইতকৈ ভাল লগা সম্পৰ্ক, যিটো একমাত্ৰ নিস্বাৰ্থ মৰম আৰু গভীৰ বিশ্বাসেৰে গঢ় লৈ উঠে। প্ৰকৃত বন্ধু হ'ল আমাৰ জীৱনৰ আটাইতকৈ মূল্যৱান উপহাৰ।

আমি জীৱনত বহুতো বন্ধু লগ পাওঁ যদিও সকলো আমাৰ প্ৰকৃত বন্ধু নহয়। প্ৰকৃত বন্ধু সেইজন যিয়ে সুখ-দুখত আমাৰ লগত থাকে। আমাৰ ভাল বেয়া আওঁতিয়াই দিয়াৰ লগতে বিপদত আমাক সহায় কৰে। আমি যিমান পাৰোঁ সিমান নতুন বন্ধু গঢ়িব লাগে কিন্তু পুৰণি বন্ধুক কেতিয়াও পাহৰিব নালাগে।

মোৰ বহুতো বান্ধৱী আছে, তাৰে ভিতৰত মোৰ আটাইতকৈ প্ৰিয় বান্ধৱী হ'ল - জিন্নাত, আমি দুয়োজনী সহপাঠী। তাই পঢ়াশুনাত ভাল, পঢ়া-শুনাত তাই মোক বহুতোখিনি সহায় কৰে।

আমাৰ দুয়োজনীৰে জীৱনৰ লক্ষ্য হ'ল - শিক্ষয়িত্ৰী হিচাপে নিজকে পৰিচয় দিয়া। জিন্নাত প্ৰকৃত বান্ধৱী হিচাপে পাই মই বহুতো সুখী। তাই মোৰ জীৱনৰ অনেকৰ্তমা এজনী ছোৱালী যাক মই

সকলো সুখ-দুখৰ কথা একো-নভবাকৈ ক'ব পাৰোঁ।

এই যে কয় নহয় "Good Gifted"; গতিকে তাই মোৰ বাবে ভগৱানে দিয়া এক উপহাৰ।

" তুমি যেন উপহাৰ এটি "

শেষত এটাই কথা যে জন্ম দিনাত ভগৱানে তোমাক সদায় সুখলে ৰাখক, তুমি জীৱনত বহুত আগুৱাই যোৱা, তোমাৰ লগত সদায় থাকিম।

# অপেক্ষা

→ শ্ৰীমতী চাঁদনী শৰ্মা
→ স্নাতক তৃতীয় ষাণ্মাসিক

জোনাকে অকলশৰীয়া টিকটোত আৰম্ভে বাট ল'লে৷ কাৰণ তাইৰ বহুত দীঘলীয়া যাত্ৰা। চকু দুটা মুদি তাই ভাবিলে কিমান বছৰৰ পাছত বাৰু তাই নিজৰ জন্মস্থানখনলৈ গৈছে? আঙুলিৰ মূৰত তাই হিচাপ কৰি চালে সম্পূৰ্ণ ১৬ বছৰৰ পাছত তাই নিজৰ পৰিয়ালটোৰ ওচৰলৈ আহিছে?

আচলতে, অহা ১২ ডিচেম্বৰত জোনাকৰ একমাত্ৰ ভতিজাক অভিমন্যুৰ বিয়া. ককায়েকে কোনো কথাকে শুনিব নুখোজে, মুঠতে ভতিজাকৰ বিয়ালৈ জোনাক আহিবই লাগিব। "নাই নহ'ব। তাই অভিৰ বিয়ালৈ আহিবই লাগিব তাকো এসপ্তাহৰ আগতেই।"

বৌয়েকে তথাপিও জোৰ দি ক'লে "জোন, ককায়েৰাই তোমাক এবাৰ চাবলৈ বৰ আশা কৰি আছে। যদি তুমি নাহা ককায়েৰে মনত বৰ দুখ পাব।"

তাই সেই সময়ত একো নামাতিলে। বিয়ালৈ এসপ্তাহ থাকোতেই আজি তাই ঘৰলৈ বুলি দুপৰত উঠিছে। মাকৰ মৃত্যুৰ পাছত ককায়েকে তাইক কোনো অভাৱ নোহোৱাকৈ ডাঙৰ কৰিলে। বৌয়েকেও তথাপিও তাইক কোনো অভাৱ নোহোৱাকৈ আৰু নিজৰ জোৱানী নিচিনাকৈ মৰম কৰিছিল। কিন্তু হঠাৎ তাই এম. ফিল. অ টাটাত চাকৰি পাই ককায়েক আৰু বৌয়েকৰ ওচৰৰ পৰা আঁতৰি আহিছিল। ককায়েকে ঘৰলৈ মাতিলেও তাই নানান ধৰণৰ অজুহাত দেখুৱাই ঘৰলৈ অহাৰ পৰা বিৰত থাকে। কিন্তু এইবাৰ তাইৰ কোনো কথাকে নচলিল।

বাছখন আহি জখলাবন্ধাত ৰ'ল। খাবলৈ সকলো যাত্ৰী নামি গৈছে। জোনাক নামি নগ'ল। কিবা-কিবি চিন্তাৰে তাইৰ মনটো খেলি-মেলি লাগিছে। ২৫ মিনিটৰ পিছত বাছখনে পুনৰ যাত্ৰা আৰম্ভ কৰিলে।

আচলতে এই শিৱসাগৰলৈ আহিলেই তাইৰ সুপ্ত স্মৃতিবোৰ পুনৰ সজীৱ হৈ পৰিব সেইবাবে তাই কেতিয়াও শিৱসাগৰলৈ আহিব বিচৰা নাছিল।

এইবোৰ ভাবি আহি থাকোঁতে তাইৰ টোপনি আহিল। আজি কেইবাদিনো তাইৰ টোপনি ভাল হোৱা নাই। যোৰহাটত বাছখন ৰ'লহি। বাছখনৰ জোকাৰনিত জোনাকে সাৰ পালে। তাই খুলি থোৱা খিৰিকীৰে বাহিৰলৈ চালে। সন্ধিয়া নামি আহিছে। বাহিৰৰ বতাহজাকে তাইৰ শৰীৰটো কঁপাই তুলিলে আৰু বেছি দূৰ নাই।

সন্ধিয়া ৬ বজাত জোনাক বাছৰ পৰা নামিল। ইতিমধ্যে কুঁৱলী পৰিবলৈ আৰম্ভ কৰিছে। কুঁৱলীৰ মাজে মাজে তাই ঘৰলৈ খোজ দিলে। জোনাকে দূৰৰ পৰাই দেখিলে তাইৰ ঘৰৰ পদূলি মুখতে ডাঙৰ হেলোজেন লাইট এটা জ্বলি আছে। বিয়াৰ চাৰিওফালে উদূলি-মুদূলি পৰিৱেশ। জোনাকক দেখি ককায়েকে চকুপানী ৰখাব নোৱাৰিলে। তাইক সাবটি ধৰি হিয়া উজাৰি কান্দিলে। জোনাকেও চকুপানী ৰখাব নোৱাৰিলে। যোৱা ১৬ বছৰে তাই মাত্ৰ ফোনতহে ককায়েক বৌয়েকৰ খবৰহে লৈছে। ককায়েকে আগতকৈ বহুত দুৰ্বল হৈ পৰা যেন লাগিল।

নিৰ্দিষ্ট সময়ত উলহ-মালহেৰে অভিৰ বিয়া হৈ গ'ল। ঘৰলৈ নতুন বোৱাৰী আহিল। বোৱাৰীৰ আদৰ-সাদৰে জোনাকৰ মন ভৰি পৰিল। বিয়াৰ পিছত ককায়েকে বৌয়েকে তাইক পুনৰ যাবলৈ নিদিলে। এইবাৰ জোনাকৰ কোনো কথাই নখাটিল। বহু বছৰৰ আগতে নীলে কৰা বিশ্বাসঘাতকতাই জোনাকক একেবাৰে ভাঙি পেলাইছিল। তাই নীলৰ স্মৃতিৰ পৰা পলায়ন কৰিব বিচাৰিছিল। সেইবাবেই তাই চিৰদিনৰ বাবে শিৱসাগৰৰ পৰা আতৰি গৈছিল। কিন্তু ইয়াৰ পৰিণামনো কি হ'ল? তাই আৰু তাইৰ পৰিয়ালটোৰ বাদে বাকী সকলো সুখী হ'ল। মাত্ৰ তাই দুখ দিলে পিতৃতুল্য ককায়েকক আৰু মাতৃতুল্য বৌয়েকক। "নাই নহয়। আৰু তাই কাকো দুখ দিব নোৱাৰে। বিশেষকৈ ককায়েক বৌয়েকক।

“জোনাকে সিদ্ধান্ত ল'লে তাই আৰু ঘূৰি নাযায়, ইয়াতে থাকিব ককায়েক আৰু বৌয়েকৰ লগত,”

মাটি যিমানেই উৰ্বৰা নহওঁক নচহালে তাৰ ফচল নহয়, বুদ্ধি যিমানেই চোকা নহওঁক অধ্যয়ন আৰু চৰ্চা অবিহনে সি ভাল ফল উৎপাদন নকৰে....

কনফুচিয়াছ

# হে মোৰ জন্মদাত্ৰী- মাতৃ

হে মোৰ জন্মদাত্ৰী মাতৃ
মোৰ জীৱনৰ আটাইতকৈ ডাঙৰ আৰু
প্ৰিয় উপহাৰ তুমি
তুমি আছা বাবেই মযো আছো.
মই এই পৃথিৱীখন দেখিছোঁ মাথো
তোমাৰ অপাৰ কষ্ট আৰু ত্যাগৰ দ্বাৰা
মই যদি দুখত উচুপি উঠিছোঁ
তুমি নিচুকনি গীত হৈ মোৰ চকুলো মোহাৰিছা
মই যদি খঙত জুই হৈ জ্বলি উঠিছোঁ
তুমি পানী হৈ মোক শান্ত কৰিছা
মোৰ এই অন্ধকাৰ জীৱনটোক
তুমি ৰাতিৰ আকাশত জিলিকা তৰা
জোনাকিৰ দৰে পোহৰাই ৰাখিছা.
তুমিয়েই মোৰ ভোকৰ ভাত পিয়াহৰ পানী
হাঁহিৰে সকলো দুখ সহ্য কৰা
এগৰাকী শক্তিশালী নাৰী
হে মোৰ জন্মদাত্ৰী মাতৃ,
তোমাৰ এই মৰম চেনেহত লালিত-পালিত মই
চিৰদিন তোমাৰেই ঋণী

পূৰ্ণিমা ফুকন

# গৌৰৱ বিচাৰি

গৌৰৱৰ পম খেদি আহোঁতে লগ পালোঁ,
শিৱসাগৰ ছোৱালী মহাবিদ্যালয়.

নতুন ব্যক্তি নতুন কথাৰে
এটা ঐতিহাসিক সেউজীয়া পৰিৱেশ

চাৰিওদিশে সেউজীয়া পখিলাবোৰ
জ্ঞানৰ অন্বেষণত

লাহে লাহে নতুন ব্যক্তিবোৰ
অচিনাকীৰ পৰা চিনাকী হ'ল
তুমিৰ পৰা তই হোৱালৈকে
এটা দীঘলীয়া যাত্ৰা

মৰমৰ বান্ধৱীসকলৰ মৰমবোৰ বুকুত সাঁচি;
চিৰ পূজ্য, চিৰ নমস্য
শ্ৰদ্ধাৰ শিক্ষাগুৰুৰ আশীৰ্বাদ শিৰত লৈ
প্ৰতিজ্ঞাবদ্ধ মই মহাবিদ্যালয়ৰ
নাম উজ্জ্বলাবলৈ.

শ্ৰীমতী কাব্যশ্ৰী কাকতি

# শাৰৎ

আহিন মানেই দুৰ্গাপূজা,
আহিন মানেই সেই শেৱালিৰ সুন্দৰ সুবাস
আহিন শাৰদীয় এই শৰৎকাল
যাৰ প্ৰত্যেকটো নিশা মাথোন
গোন্ধত আমোল মোল হয় শেৱালিৰ
এই নিশাবোৰ কিন্তু মই অনুভৱ কৰা নাছিলোঁ
কিন্তু আজি হঠাতেই সাৰ পালো দুপৰ ৰাতি
নাই নাহে টোপনি
ইকাতি সিকাতি কৰি বাগৰ সলাই ৰাতি,
কঁপাও সময়ে এঅঁজলি,
সুন্দৰ সুবাসে আহি মন নিয়ে কাঢ়ি
বুজাব নোৱাৰা এক শান্তি
শোৱাৰ পাটী এৰি, বেৰটোৰ খিৰিকী খুলি
বাহিৰৰ সুবাস ললো,
ভৰা-ভৰা আকাশৰ ধেমালি চালো.

শ্ৰীমতী প্ৰাচী গোঁহাই
স্নাতক প্ৰথম ষান্মাসিক



# অনুগল্প

# মা

এটি আখৰৰ মা শব্দটো কেৱল এটা শব্দ নহয়।
মা হৈছে মৰমৰ সাগৰ মহাসাগৰ।
মাৰ মুখতেই যেন গোটেই জগতখন দেখা পাওঁ।
মাৰ দৰে নিস্বাৰ্থ এই পৃথিৱীত কোনো মানুহে নাই।
সকলোৰে প্ৰয়োজনবোৰ নিজেই বুজি গোটেই দিনটো
কাম কৰি যোৱা গৰাকীয়েই হ'ল মা।

মাৰ গালি শপনি আৰত লুকাই থাকে তেওঁৰ অনেক মৰম ভালপোৱা। পৃথিৱীত খোজ দিয়া পাছত প্ৰথমে দেখা মানুহ গৰাকীয়েই হৈছে মা। মা হৈছে জীৱনৰ প্ৰথম শব্দ, মা হৈছে জীৱনৰ প্ৰথম শিক্ষক। পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ শব্দটোৱেই হৈছে মা।

মা মানেই জীৱন
মা মানেই শান্তি
মা মানেই ভালপোৱা....

— জিন্নাত মুবিন
পঞ্চম ষাণ্মাসিক

# আত্মৰক্ষা

অনন্যাই শাৰদীয় দুৰ্গা পূজাৰ মেলা চাই থাকোঁতে ভিৰৰ মাজত হঠাৎ তাইৰ ককালত সঘনাই কাৰোবাৰ হাতৰ স্পৰ্শ অনুভৱ কৰিলে। তাই পিছলৈ ঘূৰি চাই দেখিলে তাইৰ দেউতাকৰ সমবয়সীয়া এজন লোক, লোকজন তাইৰ কাষেৰে গৈ আছে। তাইৰ তেতিয়া মাকে সৰুৰে পৰা কৈ অহা ভাল স্পৰ্শ আৰু বেয়া স্পৰ্শৰ কথা মনত পৰিল। তাই তৎক্ষণাৎ কাপোৰত মাৰি থোৱা চেফটি পিন এটা খুলি ল'লে।

কিছু সময় পিছত ভিৰৰ পৰা মানুহজন ক্ৰমান্বয়ে আঁতৰি গ'ল। এটা চেফটি পিনৰ শক্তি আজি তাই হাতে কামে প্ৰয়োগ কৰিলে।

— পূৰ্ণিমা ফুকন,
পঞ্চম ষাণ্মাসিক।


# Happiness ...

Happiness is an emotional and mentel state of joy and pleasure. It is the gift of God. It is the basis of our success and prosperity.

Health is a habit. it is a lifestyle. We have to make it a habit to be happy. Life is a beautiful journey. Our life journey we are face many problems and challanges. and he who overcome all these challanges with a smile on his face is definitely going to succeed.

Health is another neccessary requierment. A family cannot remain happy if it's members are ill.

Happiness cannot be purchased, it must be earned with practice of good healthy thoughts and actions.



— Perona Phukon
3rd Semester
Sibsagar Girls' College

